www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM


WEDNESDAY, NOVEMBER 20, 2024 ■ বুধবাৰ, ৪ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩১৭ Guwahati, Assam ।। মূল্যঃ এটকা

**কৰ্তা বাবাৰ শেষ নিশ্বাস ত্যাগ**

ই-সংবাদ, শিলচৰ, ১৯ মাৰ্চঃ ৫৫ বছৰে মৌনব্ৰত ধাৰণ কৰি থকা বৰাক উপত্যকাৰ সন্ন্যাসী জিতেন্দ্ৰ ৫ পৃষ্ঠাত চাওক

**৪ মাহৰ মূৰত মুখ্যমন্ত্ৰীৰ অসমলৈ চিন্তা ■ কেবিনেটত একাধিক সিদ্ধান্ত**

# ঝাৰখণ্ডত কি ফুল ফুলালে? আহিয়েই সলালে কৰিমগঞ্জৰ নাম



মণিপুৰক শান্ত কৰাৰ আহ্বান

## ৰাষ্ট্ৰপতিলৈ কংগ্ৰেছ অধ্যক্ষৰ বিশেষ পত্ৰ

নতুন দিল্লী, ১৯ নৱেম্বৰঃ বিগত ডেৰ বছৰ ধৰি হিংসাৰ দাবানত জ্বলি থকা উত্তৰ-পূবৰ ৰাজ্য মণিপুৰত হিংসাৰ জুইকুৰা নুমুওৱাত শেষাংশ ৪ পৃষ্ঠাত

## হিংসাৰ মাজতে মণিপুৰত বিজেপিত বিসম্বাদ! অপাৰেশ্যন অল আউটৰ প্ৰস্তুতি কেন্দ্ৰৰ



ই-সংবাদ, গুৱাহাটী-ইম্ফল, ১৯ নৱেম্বৰঃ গৃহ বিভাগৰ এটা সূত্ৰৰ উধৃতি দি ৰাষ্ট্ৰীয় সংবাদমাধ্যমত প্ৰকাশিত খবৰ অনুসৰি মণিপুৰত চলিব শেষাংশ ৪ পৃষ্ঠাত

## ■ জানুৱাৰীত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ ঘোষণা ■ অখিল গগৈৰ কটাক্ষ, আজি সলাব মুখ্যমন্ত্ৰীৰ নাম



ই-সংবাদ, ১৯ নৱেম্বৰঃ অৱশেষত অসমলৈ মনত পৰিল হিমন্ত বিশ্ব শৰ্মাৰ। বিগত ৪ মাহ ধৰি ঝাৰখণ্ডত নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত শেষাংশ ৫ পৃষ্ঠাত

## চাৰি মাহত আমোলাৰ শাসন

ই-সংবাদ, ১৯ নৱেম্বৰঃ ঝাৰখণ্ডত অভিযান সামৰি নিজ ৰাজ্যলৈ উভতি আহিল মুখ্যমন্ত্ৰী ডাঃ হিমন্ত শেষাংশ ১৪ পৃষ্ঠাত

## চুমি বৰাই নাপালে জামিন

ই-সংবাদ, ১৯ নৱেম্বৰঃ বহু বিতৰ্কিত নৃত্যশিল্পী চুমি বৰাৰ জামিন শেষাংশ ৩ পৃষ্ঠাত

## আজি মহাৰাষ্ট্ৰত ভোটগ্ৰহণ কোটি টকাসহ ধৰা পৰিল বিজেপি নেতা



মুম্বাই, ১৯ নৱেম্বৰঃ নিৰ্বাচনলৈ মাজত মাথো এটা দিন বাকী থকা অৱস্থাত গৰম মহাৰাষ্ট্ৰৰ ৰাজনীতি। ভোট গ্ৰহণৰ পূৰ্বে শেষাংশ ২ পৃষ্ঠাত

## চিবিআইয়ে ছীল কৰিলে শিৱসাগৰৰ লখিমী ফাইনেন্স

**৭২ ঘন্টীয়া অভিযানৰ অন্ত**

ই-সংবাদ, শিৱসাগৰ, ১৯ নৱেম্বৰঃ শিৱসাগৰৰ বহু বিতৰ্কিত ভুৱা বিত্তীয় প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী অভিজিত গগৈ, জিতামণি গগৈয়ে শাখা কাৰ্যালয় সহিতে শেষাংশ ৩ পৃষ্ঠাত

হিংসা ৰোধত ব্যৰ্থ বিজেপি

## গুৱাহাটীত প্ৰদেশ কংগ্ৰেছৰ প্ৰতিবাদ

গুৱাহাটী, ১৯ নৱেম্বৰঃ চুবুৰীয়া ৰাজ্য মণিপুৰত হত্যা-হিংসা বন্ধ কৰাৰ দাবীত আজি অসম প্ৰদেশ শেষাংশ ৪ পৃষ্ঠাত




মণিপুৰত হিংসা ৰোধৰ দাবীত দীঘলীপুখুৰীত এপিচিচিৰ সমদল, মঙলবাৰে

## এছটিৰ দাবীত চুতীয়া সন্মিলনৰ তীব্ৰ হুংকাৰ!

কঁপালে যোৰহাটৰ ৰাজপথ

ই-সংবাদ, ১৯ নৱেম্বৰঃ বিজেপিয়ে ২০১৪, ২০১৯ চনৰ লোকসভা শেষাংশ ৩ পৃষ্ঠাত

## হায় স্বাস্থ্য বিভাগ! মৃতদেহক লৈয়ো চলে দৰ-দাম

**নাতি-পুত্ৰৰ নিথৰ দেহত ২৫ হাজাৰ টকাৰ খৰচ**

ই-সংবাদ, ১৯ নৱেম্বৰঃ মানুহজনে জীৱনৰ বিয়লি বেলাত সকলো হেৰুৱালে। মানুহজনৰ পৰিয়ালটো ধ্বংস হৈ গ'ল। অৰ্থৰ অভাৱত সন্তানক উন্নত চিকিৎসা কৰিব নোৱাৰিম বুলি ভাবিয়েই চিন্তাৰ ভাৰসাম্য হেৰুৱাই মানুহজনৰ পুত্ৰই নিজ হাতেৰে সন্তানক হত্যা কৰি নিজেও আত্মহত্যা কৰিছে। একমাত্ৰ পুত্ৰই সংঘটিত কৰা অনাকাংক্ষিত ঘটনাৰ কথা মনত পৰিলে মানুহজনৰ অন্তৰ কপি উঠে। কেইটামান ঘণ্টাৰ ভিতৰতে ৭ বছৰীয়া নাতি আৰু পুত্ৰক হেৰুৱালে। শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কোটি টকাসহ ধৰা পৰিল বিজেপি

ধন বল প্ৰয়োগ কৰি বিজেপিয়ে ভোটাৰক প্ৰলোভিত কৰিবলৈ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপন কৰিছে বিৰোধীয়ে। শেহতীয়াকৈ বিজেপিৰ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক তথা প্ৰাক্তন মন্ত্ৰী বিনোদ টাউড়েয়ে ভোটাৰৰ মাজত বিলাবলৈ কোটি কোটি টকাৰ লেনদেন কৰা বুলি বিৰোধী মিত্ৰজোঁটৰ সমৰ্থকে বিস্ফোৰক অভিযোগ অনাৰ পিছতে উত্তপ্ত হৈ পৰিছে মহাৰাষ্ট্ৰৰ প্ৰাক নিৰ্বাচনী ৰাজনৈতিক পৰিৱেশ। স্থানীয় বিধায়ক তথা কংকন উপকূলৰ প্ৰভাৱশালী দল বঞ্চিত বিকাশ আকাড়ীৰ মুৰব্বী হিতেন্দ্ৰ ঠাকুৰে পালঘৰ জিলাৰ বেৰাস্থিত বিজেপি নেতাজনৰ এখন হোটেলত ধন বিতৰণ কৰাৰ অভিযোগ উত্থাপন কৰিছে। বিজেপিৰ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক বিনোদ টাউড়েৰ বিৰুদ্ধে ধন বিতৰণৰ অভিযোগ আনি কয়, "সেই হোটেলত থকা টাউড়েৰ ঘৰ ঘেৰাও কৰি আমি পাঁচ কোটি টকা উদ্ধাৰ কৰিছো। তাৰ লগতে এখন ডায়েৰীও আমি পাইছিলো। সেই ডায়েৰীখনত লিখা আছিল যে তেওঁ নিৰ্বাচনৰ সময়ত বিতৰণৰ বাবে মুঠ ১৫ কোটি টকা আনিছিল।" ইফালে স্থানীয় সূত্ৰই জনোৱা মতে, হিতেন্দ্ৰৰ খুলশালী তথা নালাছোপাৰাৰ বিধায়ক ক্ষীতিশ ঠাকুৰ আৰু তেওঁৰ অনুগামীসকলে টাউড়েৰ পৰা ডায়েৰীখন কাঢ়ি লৈ যায়। ইয়াৰ সৈতে জড়িত এটা ভিডিঅ'ও ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে। অন্যহাতে নিৰ্বাচন আয়োগৰ এগৰাকী বিষয়াই জনোৱা মতে, বিজেপি নেতা টাউড়েৰ হোটেলৰ কোঠাৰ পৰা ৯ লাখ ৯৩ হাজাৰ টকা উদ্ধাৰ কৰা হৈছে। আনহাতে, সোমবাৰে সন্ধিয়া ৫ বজাত ভোটগ্ৰহণ সমাপ্ত হোৱাৰ পিছত 'বাহিৰৰ' বিজেপি নেতাজন পালঘৰত কি কৰিবলৈ বাহৰ পাতিছিল সেই প্ৰশ্নও উত্থাপন কৰিছে বিৰোধীয়ে। উল্লেখ্য যে, মহাৰাষ্ট্ৰৰ প্ৰাক্তন শিক্ষামন্ত্ৰী বিনোদ টাউড়ে এতিয়া বিজেপিৰ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক। লোকসভা নিৰ্বাচনত বিজেপিৰ ৰাষ্ট্ৰীয় সমন্বয় সমিতিৰো সদস্য আছিল তেওঁ। ইয়াৰোপৰি টাউড়ে দুটা কাৰ্যকাল মহাৰাষ্ট্ৰ বিজেপিৰ সাধাৰণ সম্পাদক আছিল। বিজেপি নেতাজনৰ হোটেলৰ কোঠাত কোটি কোটি টকা উদ্ধাৰৰ অভিযোগে মহাৰাষ্ট্ৰৰ ৰাজনীতি এই সময়ত অধিক উত্তপ্ত কৰি তুলিছে। মহাৰাষ্ট্ৰত বিজেপি আৰু মিত্ৰজোঁটৰ এইবাৰ নৈতিক পৰাজয় নিশ্চিত হৈ পৰাত এতিয়া এনেদৰে ধন বল, ক্ষমতাৰ শক্তি দেখুৱাই ভোটাৰক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে বুলি দাবী কৰিছে বিৰোধীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হায় স্বাস্থ্য বিভাগ! মৃতদেহক লৈয়ো চলে

এতিয়া মানুহজন অকলশৰীয়া। কিন্তু পুত্ৰ আৰু নাতিটোৰ মৃতদেহ পাবৰ বাবে এইগৰাকী লোকে যি যন্ত্ৰণা লাভ কৰিলে সেয়া বৰ্ণনাতীত। চিকিৎসক আৰু হাস্পতালৰ একাংশ লোকে যি কাণ্ড সংঘটিত কৰিছে সেই কথা দেখি-শুনি সভ্য সমাজে ছিঃ ছিঃ কৰিছে। এইগৰাকী লোকে পুত্ৰ আৰু নাতিটোৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে উপঢৌকন দিবলগীয়া হৈছে। আন আন কামৰ বাবেও টকা ভেটি দিবলগীয়া হৈছে। পুত্ৰ আৰু নাতিৰ মৃতদেহ মোকলাই আনিবলৈ গৈ কেনে যাতনাৰ সন্মুখীন হৈছিল সেই কথা ৰাইজক অৱগত কৰিবলৈ মানুহজনে সংবাদমেলৰ আয়োজন কৰে। এই দুৰ্ভগীয়া লোকজন হৈছে বিশ্বনাথ জিলাৰ গহপুৰৰ সোলেঙীৰ ব্যৱসায়ী চিদানন্দ শইকীয়া। চিদানন্দ শইকীয়া ৩৩ বছৰীয়া পুত্ৰ মৃগাংক শইকীয়াই ৭ নৱেম্বৰত নিজ ঘৰতে ৭ বছৰীয়া পুত্ৰ আয়ুস্মানক হত্যা কৰি পলায়ন কৰিছিল। এদিন পিছতে ঘৰৰ পৰা কিছু নিলগত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হৈছিল মৃগাংক শইকীয়াৰ মৃতদেহ। ৭ নৱেম্বৰত ৭ বছৰীয়া আয়ুস্মান আৰু ৮ নৱেম্বৰত ৩৩ বছৰীয়া পুত্ৰ মৃগাংক শইকীয়াৰ মৃতদেহ উদ্ধাৰ কৰি হাস্পতাললৈ নিছিল। সন্তান আৰু নাতিক হেৰুওৱা চিদানন্দ শইকীয়াই ১২ দিনৰ অন্তত সাংবাদিক ঘৰলৈ মাতি নি তেওঁ দুটা মৃতদেহ মুকলি কৰি আনিবলৈ যাওতে কেনে যাতনা তথা অভিজ্ঞতা লাভ কৰিছিল সেই কথা ৰাজহুৱা কৰিছে। গহপুৰ আৰক্ষীয়ে অকলশৰীয়া পিতৃক সহায় কৰা নাছিল। ৮ নৱেম্বৰত দুটাকৈ মৃতদেহ গহপুৰৰ পৰা বিহালীলৈ নিবৰ বাবে আৰক্ষীৰ গাড়ী নাছিল। পিতৃয়ে নিজেই ১৪ হাজাৰ টকাত দুখন গাড়ী ভাড়া কৰি নিছিল মৃতদেহ দুটা। বিহালী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ দুয়োটা মৃতদেহ নিয়াৰ পাছতে চিকিৎসালয় কৰ্তৃপক্ষৰ মইমতালি আৰম্ভ হৈছিল। মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ পূৰ্বে সংশ্লিষ্ট চিকিৎসকে চিদানন্দ শইকীয়াৰ সৈতে দৰ-দাম আৰম্ভ কৰিছিল। চিকিৎসকে এটা মৃতদেহৰ বাবে তিনিহাজাৰকৈ ৬ হাজাৰ টকা দাবী কৰিছিল। চিদানন্দ শইকীয়াই কোনো প্ৰশ্ন নকৰাকৈ ৬ হাজাৰ টকা চিকিৎসকক আদায় দি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। এইবাৰ বিহালী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মৰণোত্তৰ পৰীক্ষা কেন্দ্ৰত নিয়োজিত ছুইপাৰে টকা দাবী কৰে। মৃতদেহৰ বিনিময়ত ২৫০০ টকাকৈ মুঠ ৫ হাজাৰ দাবী কৰে। চিদানন্দ শইকীয়াই ৫ হাজাৰ টকা আদায় দিয়ে। পুত্ৰ আৰু নাতিৰ মৃতদেহ ঘৰলৈ আনিবলৈ ২৫ হাজাৰ টকা খৰচ কৰিবলগীয়া হৈছিল। এনে অভিজ্ঞতা বৰ্ণনা কৰি আৱেগিক হৈ পৰে ব্যৱসায়ী শইকীয়া। ইপিনে পুত্ৰৰ এএছ-৩২-এ-৩০৪৫ নম্বৰৰ স্কুটীখন গহপুৰ আৰক্ষীয়ে উদ্ধাৰ কৰিব নোৱাৰাত চিদানন্দ শইকীয়াই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ১২ দিন উকলি যোৱাৰ পিছতো গহপুৰ আৰক্ষীয়ে উদ্ধাৰ কৰিব নোৱাৰিলে স্কুটীখন। মৃগাংকক চিপ লোৱা অৱস্থাত উদ্ধাৰ হোৱাৰ সময়ত লংপেন্টটোত ওলোমাই ৰখা অৱস্থাত উদ্ধাৰ হৈছিল স্কুটীৰ ছাবি। আত্মহত্যা কৰা স্থানৰ পৰা দুই কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰতে আছে স্কুটীখন। কিন্তু আজিলৈকে গহপুৰ আৰক্ষীয়ে কোনোধৰণৰ তৎপৰতা অৱলম্বন নকৰিলে। আনহাতে ভয়ংকৰ কাণ্ডটো সংঘটিত হৈ যোৱাৰ পিছৰে পৰা কোনো আৰক্ষীয়ে ১২ দিন পৰ্যন্ত ঘৰলৈ নহাত ক্ষোভ ব্যক্ত কৰে। ইপিনে চিদানন্দ শইকীয়াৰ দৰেই বিশ্বনাথ জিলাৰ বিহালী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত মৰ্গত থকাৰ সময়তে প্ৰতিটো মৃতদেহৰ দৰদাম কৰা হয় বুলি অভিযোগ উত্থাপন হৈ আহিছে। মৰণোত্তৰ পৰীক্ষাৰ বাবে ৩-৫ হাজাৰকৈ টকা বিচাৰে অভিভাৱকৰ পৰা। তেনেদৰে অসহায় অভিভাৱকৰ পৰা টকা আদায় কৰে চিকিৎসকে। লগতে ছুইপাৰে প্ৰতিটো মৃতদেহ ইফাল-সিফাল কৰা আৰু বান্ধি দিয়াৰ নামত ধন দাবী কৰে। ছুইপাৰে ২৫০০ টকাকৈ আদায় কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। এজন মানুহে কেইটামান ঘণ্টাৰ ভিতৰতে সকলো হেৰুৱালে আৰু সেইজন লোকৰ পৰাই চিকিৎসক, ছুইপাৰে ধন দাবী কৰিলে। এয়া কিমান নিকৃষ্ট কাণ্ড সেয়া এনে অভিজ্ঞতাৰ মুখামুখি হোৱাসকলেহে মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিকা আৰু স্বচ্ছ প্ৰশাসনৰ দোহাই দি বাঃ বাঃ লৈ আহিছে যদিও আজিও যে ৰাজ্যখনৰ চৰকাৰী চিকিৎসালয়ত এখন বজাৰ চলি আছে সেয়া প্ৰমাণ কৰিছে চিদানন্দ শইকীয়াই। উল্লেখনীয় যে, গহপুৰৰ সোলেঙীৰ মৃগাংক শইকীয়াই নিজৰে ৭ বছৰীয়া সন্তানক গাৰুৰে মুখত সোপা দি হত্যা কৰি পলায়ন কৰিছিল। পিছদিনা এটা পৰিয়ালৰ ছাদত মৃগাংক শইকীয়াৰ মৃতদেহ সন্দেহজনক অৱস্থাত উদ্ধাৰ হৈছিল। মৃগাংক শইকীয়াই জুৰুলা আৰ্থিক অৱস্থাৰ বাবে মানসিক অশান্তি আৰু হতাশাত ভুগি আছিল। সময়ে সময়ে চিকিৎসা গ্ৰহণ কৰি থকাৰ লগতে দৰৰ সেৱন কৰি আহিছিল। ইপিনে ৭ বছৰীয়া পুত্ৰ কোনো এক ৰোগত আক্ৰান্ত হৈ আছিল। শীঘ্ৰে অস্ত্ৰোপচাৰ কৰাৰ কথা আছিল। ৭ নৱেম্বৰত মৃগাংক শইকীয়াৰ পত্নী সমীপৰ এঘৰলৈ ওলাই গৈছিল। ৰোগীয়া পুত্ৰ সন্তানটোৰ সৈতে ঘৰত আছিল মৃগাংক শইকীয়া। তেনে সময়তে পৰিকল্পনা অনুসৰি গাৰুৰে মুখত সোপা দি হত্যা কৰি সন্তানটোক বিছনাত শোৱাই থোৱাৰ দৰে থয়। খবৰ লবলৈ অহা বায়েক-ভিনিয়েকক শুই থকাৰ বাবে সন্তানটোৰ ওচৰলৈ যোৱাত বাধা দি কোনো দিনা নকৰাৰ দৰে আচৰণ কৰিছিল। কিছু সময় মৃগাংক শইকীয়াৰ সৈতে বায়েক-ভিনিয়েক কথা পাতি থকাৰ সময়তে ঘৰলৈ আহে পত্নী। পত্নীয়ে বায়েক-ভিনিয়েকক মাতষাৰ দি চিধাই সন্তানটোৰে শুই থকা বিছনাৰ কাষলৈ যায়। তেতিয়াই প্ৰাণস্পন্দনহীন অৱস্থাত দেখি চিঞৰ-বাখৰ কৰে। পত্নীয়ে চিঞৰ-বাখৰ কৰাত মৃগাংকৰ সৈতে কথা পাতি থকা ভিনিয়েকে দৌৰমাৰি কোঠালৈ আহে যদিও লগে লগে কোঠাটোৰ পৰা ওলাই এন্ধাৰৰ ফালে দৌৰ মাৰে মৃগাংক। ভিনিয়েক আৰু পত্নীয়ে সন্তানটোক চিকিৎসালয়লৈ নিয়ে যদিও সন্তনটোক চিকিৎসকে মৃত ঘোষণা কৰে। ৭ নৱেম্বৰত পুত্ৰক হত্যা কৰি স্কুটী লৈ ঘৰৰ পৰা পলায়ন কৰা মৃগাংক শইকীয়াৰ মৃতদেহ ৮ নৱেম্বৰৰ পুৱা গহপুৰৰ বড়িগাঁৱত উদ্ধাৰ হয়। ঘটনাটোক লৈ আজিও অব্যাহত আছে চাঞ্চল্য।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# চিবিআইয়ে ছীল কৰিলে শিৱসাগৰৰ

খুলি লোৱা লখিমী ফাইনেন্স ঋণদান নামৰ ভুৱা প্ৰতিষ্ঠানটোত বিগত ৭২ ঘন্টা ধৰি চলি থকা কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চমুকৈ চিবিআইৰ অভিযানৰ সামৰণি পৰিছে। ধন হেৰুৱাই বিতত হোৱা গ্ৰাহকৰ অভিযোগৰ ভিত্তিত সদৰ আৰক্ষী থানাত ৰুজু কৰা ১১৩/২০২৪ নম্বৰৰ গোচৰটোৰ দায়িত্ব লোৱা চিবিআইৰ দলটোৱে ৭২ ঘন্টীয়া অভিযানৰ অন্ত পেলাই আজি গুৱাহাটীৰ আঞ্চলিক কাৰ্যালয়লৈ উভতি যায়। অভিযানৰত দলটোৱে পূৰ্বে সদৰ আৰক্ষীয়ে ভুৱা বিত্তীয় প্ৰতিষ্ঠাটোৰ পৰা কেতবোৰ নথিৰ লগতে ৭২ ঘন্টীয়া অভিযানকালত আন বৃহৎ সংখ্যক গুৰুত্বপূৰ্ণ নথিও জব্দ কৰিবলৈ সক্ষম হয়। অৱশ্যে ভুৱা বিত্তীয় প্ৰতিষ্ঠান খুলি সুন্দৰী পত্নীৰ সৈতে কোটি কোটি টকাৰ লুণ্ঠন চলোৱা অভিজিত গগৈ আৰু জিতামণি গগৈ কাৰাগাৰত আৱদ্ধ হৈ থকাৰ বাবে নিজৰ জিম্মাত নিবিচৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ৮২/২০২০-২১ বৰ্ষৰ গুৱাহাটীৰ পঞ্জীয়ন কাৰ্য্যালয়ত পঞ্জীয়ন হোৱা লখিমী ফাইনেন্স নামৰ প্ৰতিষ্ঠানটোক এক সাধাৰণ স্বেচ্ছাসেৱী অনুষ্ঠানৰ মৰ্য্যাদাৰে পঞ্জীয়ন নম্বৰ প্ৰদান কৰিছিল। কিন্তু অত্যন্ত চতুৰ দম্পতি খ্যাত অভিজিত গগৈয়ে পত্নী জিতামণিক সন্মুখলৈ ঠেলি আৰম্ভ কৰিছিল এই ভয়ংকৰ লুণ্ঠনৰ বেহা। চেবিৰ নথিটো বাদেই এখনো বৈধ নথি নথকাকৈয়ে বিকি মজুমদাৰ নামৰ পূৰ্বে বিত্তীয় প্ৰতিষ্ঠানৰ জালিয়াতিৰ মাষ্টাৰমাইণ্ডৰ সৈতে এই বেহাৰ পাতনি মেলিছিল শিৱসাগৰত। ২০২০ বৰ্ষৰ আৰম্ভনিতে লক্ষ্মীনগৰত কাৰ্য্যালয়ত হাজাৰ হাজাৰ ক্ষুদ্ৰ ব্যৱসায়ীৰ ধন জমা কৰিছিল নিজৰ প্ৰতিষ্ঠানত। ই-ৰিক্সা চালকৰ পৰা প্ৰতিস্থিত ব্যৱসায়ী, পেট্ৰ'ল ডিপ'ৰ গৰাকীলৈকে সৰ্বমুঠ প্ৰায় ছহেজাৰ গ্ৰাহকৰ পৰা বিশ কোটিতকৈও অধিক টকা লুণ্ঠন কৰিছিল। লক্ষ্মীনগৰ, শিমলুগুৰি, শিৱসাগৰৰ আমোলাপট্টীত মুখ্য কাৰ্য্যালয় স্থাপন কৰা ভুৱা বিত্তীয় প্ৰতিষ্ঠানটোৱে শতাধিক যুৱককো এজেন্ট হিচাপে নিয়োগ কৰি দৈনিক লক্ষ লক্ষ টকা সংগ্ৰহ কৰিছিল। সহজতে গ্ৰাহকক আকৰ্ষিত কৰিব পৰা স্কিমৰ লোভ দেখুৱাই ৰেকাৰিং, চেভিং, ফিক্সড ডিপজিটৰ নামত এখন ৰমৰমীয়া বজাৰ আৰম্ভ কৰিছিল। কিন্তু আটাইকেইটা শিতানত ধন জমা কৰা গ্ৰাহকসকলে মেচিউৰিটিৰ সময় পাৰ হৈ যোৱাৰ পিছতো লাভাংশ বাদেই মূল ধন কেইটাও লাভ নকৰাত ২০২২ চনতেই লক্ষ্মীনগৰৰ শাখা কাৰ্য্যালয়টো ক্ষোভিত ৰাইজে ঘেৰাও কৰিছিল। কিন্তু মেনেজত সিদ্ধহস্ত দম্পতিহালে কৌশলেৰে সেই সময়ত পৰিস্থিতি নিয়ন্ত্ৰণ কৰি লক্ষ্মী নগৰৰ কাৰ্য্যালয়টো বন্ধ কৰি দিয়াৰ লগতে শিমলুগুৰিৰ শাখা কাৰ্য্যালয়টোও বন্ধ কৰি দিয়ে। পৰৱৰ্তী সময়ত আমোলাপট্টীৰ মুখ্য কাৰ্য্যালয় আৰু মেলাচকৰৰ বাসগৃহৰ পৰা বিত্তীয় প্ৰতিষ্ঠানৰ কাম-কাজ চলোৱাৰ লগতে সংগোপনে নতুন নতুন গ্ৰাহকৰ পৰা মোটা অংকৰ ফিক্সড ডিপ'জিটৰ বেহা অব্যাহত ৰাখে। ইফালে মেচিউৰিটিৰ সময় পাৰ হোৱা তথা দুই স্বামী-স্ত্ৰীৰ চলনাময়ী কথাত সন্দেহ কৰি একাংশ এজেন্টে ধন সংগ্ৰহ ত্যাগ কৰাৰ লগতে আন একাংশ গ্ৰাহক আৰু এজেন্টে মিলি দুটা মাহৰ পূৰ্বে সদৰ আৰক্ষীক লিখিত অভিযোগ দাখিল কৰাৰ লগতে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ কাৰ্য্যালয়লৈও মেইল বাৰ্তা প্ৰেৰণ কৰে। অৱশেষত সদৰ আৰক্ষীয়ে নিজাববীয়া ১১৩/ ২০২৪ নম্বৰৰ গোচৰটো পঞ্জীয়ন কৰি মহা ধূৰন্ধৰ স্বামী-স্ত্ৰী অভিজিত, জিতামণিৰ লগতে কেচিয়াৰ বিকি মজুমদাৰক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰে। শেহতীয়াকৈ ট্ৰেডিং জালিয়াতিৰ সম্পৰ্কত অসমত ৰুজু হোৱা আন গোচৰৰ লগতে ১১৩/ ২০২৪ নম্বৰৰ গোচৰটোও চিবিআইলৈ হস্তান্তৰ কৰিছিল। অৱশেষত শিৱসাগৰৰ আৱৰ্ত ভৱনত শুকুৰবাৰে নিশাৰ পৰা ৬ আৰু ৭ নং কোঠাত বাহৰ পাতি অভিযান তীব্ৰত্বৰ কৰা দলটোৱে শনিবাৰ আৰু দেওবাৰে আমোলাপট্টীৰ মুখ্য কাৰ্য্যালয়ত নেৰানেপেৰা অভিযান চলাইছিল। দুটা দিন লখিমী ফাইনেন্স নামৰ ভুৱা বিত্তীয় প্ৰতিষ্ঠানটোত তালাচী চলাই বহু সংখ্যক আপত্তিজনক নথি জব্দ কৰে। অৱশ্যে কাৰ্য্যালয়টোত থকা এটা ল'কাৰ খুলিবলৈ সক্ষম নহল চিবিআইৰ দলটো। আনহাতে আজি তৃতীয় দিনা মেলাচকৰস্থিত নটবৰলাল দম্পতিৰ প্ৰসাদোপম অট্টালিকাত অভিযান চলাই একাংশ বিত্তীয় লেনদেনৰ তথ্য লিপিবদ্ধ ৰেজিষ্টাৰ উদ্ধাৰ কৰে। উক্ত ৰেজিষ্টাৰসমূহত বহুকেইগৰাকী মহাবিদ্যালয়ৰ অধ্যাপকে ভুৱা বিত্তীয় প্ৰতিষ্ঠানটোৰ সৈতে লেন-দেন কৰাৰ তথ্য পোহৰলৈ আহিছে। আনহাতে বাসগৃহটোত থকা এটা সন্দেহজনক গডৰেজৰ চাবি বিচাৰি নটবৰলাল দম্পতিৰ কন্যাৰ সৈতে যোগাযোগ কৰিছিল। কিন্তু কন্যাগৰাকীয়ে চিবিআইৰ দলটোক সহযোগিতাৰ পৰিৱৰ্তে এৰাই চলিবলৈ বিচৰাত মবাইল ট্ৰেকিং পদ্ধতিৰে অৱস্থান নিৰ্ণয় কৰি চাৰিওৰ এক স্থানত প্ৰাথমিক সোধা-পোচাৰ লগতে গডৰেজৰ চাবিটো বিচাৰে। কিন্তু অধ্যয়নৰত জীয়াৰীয়ে এই সম্পৰ্কত অজ্ঞতা প্ৰকাশ কৰাত বিয়লি দলটোৱে নথিসমূহ জব্দ কৰাৰ লগতে গডৰেজটো বিধিগতভাৱে ছীল কৰি দিয়ে। সন্দেহ কৰা মতে গডৰেজটোত নটবৰলাল দম্পতিৰ বিত্তীয় কেলেংকাৰীৰ নথি জমা আছে।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# এছটিৰ দাবীত চুতীয়া সন্মিলনৰ তীব্ৰ

নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰি ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰাত পুনৰ ক্ষুব্ধ হৈছে ছয় জনগোষ্ঠীৰ কেইবা লক্ষ লোক। এই লোকসকলে জনগোষ্ঠীয় সংগঠনৰ নেতৃত্বত পুনৰ ৰাজপথলৈ ওলাই আহিবলৈ সাজু হৈছে। বিগত কেইটামান দিনত উজনি অসমৰ পৰিস্থিতি প্ৰত্যক্ষ কৰি এই ধাৰণা কৰা হৈছে। ১৭ মাহ পিছতে ২০২৬ চনৰ এপ্ৰিল মাহত অনুষ্ঠিত হ'ব বিধানসভাৰ নিৰ্বাচন। নিৰ্বাচনৰ দিন চমু চাপি আহি থকাৰ সময়তে ছয় জনগোষ্ঠীয়ে নিতৌ ৰাজপথ উত্তাল কৰি গৈছে। উজনি অসমত জনজাতিকৰণৰ দাবীত ছয় জনগোষ্ঠীয়ে এই আন্দোলনখনক নতুন মাত্ৰা দিয়াৰ প্ৰয়াস কৰি গৈছে। তিনিচুকীয়া, ডিব্ৰুগড় আৰু ধেমাজিৰ পিছত আজি উজনি অসমৰ যোৰহাট জিলাত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে কেইবা শতাধিক লোকে। চুতীয়া জাতি যুৱ সন্মিলনৰ যোৰহাট আৰু তিতাবৰ সমিতিৰ উদ্যোগত হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ প্ৰতিবাদ সাব্যস্ত কৰে। আয়ুক্তৰ কাৰ্যালয়ত কেন্দ্ৰীয় চৰকাৰ হায় হায়, ন এছটি-ন-ৰেষ্ট, অসম চৰকাৰ হায় হায়, আমাৰ দাবী মানি লওক আদি শ্লʼগান দি পৰিৱেশ উত্তাল কৰি তোলে। চুতীয়া জাতি যুৱ সন্মিলনৰ যোৰহাট আৰু তিতাবৰৰ জিলা সমিতিয়ে ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে চুতীয়া জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিয়াৰ প্ৰতিশ্ৰুতি পূৰণ নকৰিলে চৰকাৰ উচিত শিক্ষা দিয়াৰ হুংকাৰ দিয়ে। আদিবাসী, চাহ জনজাতি, টাই-আহোম, মৰাণ, মাটক, চুতীয়া আৰু কোঁচ-ৰাজবংশীসকলে অনুসূচিত জনজাতিৰ তালিকাত অন্তৰ্ভুক্তিৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। বাৰে বাৰে প্ৰতিটো দলে প্ৰতিশ্ৰুতি দিয়াৰ পিছতো দশক দশক ধৰি এছটিৰ মৰ্যাদা নিদিয়াত লক্ষ লক্ষ লোকে প্ৰতিবাদ কৰি গৈছে। প্ৰতিবাদে অনাগত দিনত কি ফল ধৰে সেয়া সময়েহে ক'ব।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# চুমি বৰাই নাপালে জামিন

নাকচ কৰিছে গুৱাহাটীৰ চিবিআই আদালতে। গুৱাহাটীৰ চিবিআইৰ বিশেষ ন্যায়াধীশৰ আদালতে জামিন আবেদনক লৈ শুনানিৰ অন্তত জামিন নাকচ কৰে। আজি দিনৰ ভাগত বিশেষ ন্যায়াধীশৰ আদালতত দীঘলীয়া শুনানিৰ সময়ত চুমি বৰাৰ অধিবক্তাই যুক্তি দিছিল যদিও জামিন নাকচ কৰা হয়। ইপিনে আজি চিবিআইৰ আদালতত শপতনামা দাখিল কৰে চিবিআইৰ তদন্তকাৰী দলটোৱে। ট্ৰেডিং কেলেংকাৰী সংঘটিত কৰিছিল চুমি বৰাৰ পাতি লোৱা ভাতৃ কুখ্যাত বিশাল ফুকনে। বিশালে অবৈধ উপাৰ্জন পাতি লোৱা বায়েক চুমি বৰা তেওঁৰ স্বামী তাৰ্কিক বৰাৰ নামত খৰচ কৰা বুলি অভিযোগ উত্থাপন হোৱাৰ পাছতে প্ৰথমে বিশাল আৰু প্ৰায় ১০ দিন পলায়ন কৰি থকাৰ পিছতে চুমি বৰা আৰু স্বামী তাৰ্কিক বৰাক গ্ৰেপ্তাৰ কৰা হৈছিল। বৰ্তমানেও গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত কাৰাৰুদ্ধ আছে চুমি, তাৰ্কিক আৰু বিশাল ফুকন। ইপিনে বিশাল ফুকন, শোভনজ্যোতি কুৰ্মী, চন্দন নাথৰ জামিনক লৈ কাইলৈ চিবিআইৰ আদালতত শুনানি অনুষ্ঠিত হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাষ্ট্ৰপতিলৈ কংগ্ৰেছ অধ্যক্ষৰ বিশেষ পত্ৰ

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ হস্তক্ষেপ বিচাৰি পত্ৰ লিখিছে কংগ্ৰেছৰ সৰ্বভাৰতীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে। উল্লেখ্য যে, বিগত কিছুদিনৰ পৰা পুনৰ মণিপুৰত চৰম সীমাত উপনীত হৈছে গোষ্ঠীগত সংঘাত। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা শেহতীয়াকৈ কেইবাটাও হিংসাত্মক ঘটনাৰ খবৰ পোহৰলৈ অহাৰ পিছতে মণিপুৰৰ বৰ্তমান পৰিস্থিতিক লৈ পুনৰ এবাৰ উদ্বেগ প্ৰকাশ কৰিছে বিৰোধীয়ে। এনে পৰিস্থিতিতে ৰাজ্যখনলৈ শান্তি ঘূৰাই অনাৰ স্বাৰ্থত ৰাষ্ট্ৰপতিৰ হস্তক্ষেপ অত্যন্ত জৰুৰী বুলি মন্তব্য কৰে কংগ্ৰেছে। এই সন্দৰ্ভত ৰাষ্ট্ৰপতি মুৰ্মুলৈ এখন পত্ৰ লিখি মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতিৰ তদন্তৰ বাবে এখন উচ্চ পৰ্যায়ৰ আয়োগ গঠনৰো দাবী জনায় কংগ্ৰেছ অধ্যক্ষ খাৰ্গেয়ে। এই আয়োগৰ নেতৃত্ব উচ্চতম ন্যায়ালয় এগৰাকী ন্যায়াধীশক প্ৰদান কৰাৰ দাবী জনায় খাৰ্গেয়ে। প্ৰণিধানযোগ্য যে, যোৱা বছৰৰ মে' মাহৰ পৰাই কুকি আৰু মেইটেই সম্প্ৰদায়ৰ মাজৰ সংঘাতে মণিপুৰত ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰি আহিছে। এই হিংসাত্মক পৰিস্থিতিত ৰাজ্যখনত এতিয়ালৈকে দুশৰো অধিক লোকৰ মৃত্যু ঘটাৰ লগতে গৃহহাৰা হৈছে হাজাৰ হাজাৰ লোক। মাজতে পৰিস্থিতি কিছু শান্ত অৱস্থালৈ ঘূৰি আহিছিল যদিও চলিত মাহৰ আৰম্ভণিৰ পৰাই পুনৰ উত্তপ্ত হৈ পৰে পাহাৰীয়া ৰাজ্যখন। ঠায়ে ঠায়ে মৃতদেহ উদ্ধাৰৰ ঘটনাৰ পিছতে আকৌ সংঘাত তীব্ৰতৰ হৈ পৰা পৰিলক্ষিত হয়। এনে পৰিস্থিতিত মণিপুৰৰ বীৰেণ সিং চৰকাৰ পুনৰ এবাৰ পৰিস্থিতি নিয়ন্ত্ৰণত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন হৈছে। ইফালে মঙলবাৰে মণিপুৰৰ পৰা অহা এটা প্ৰতিনিধি দলৰ সৈতে বৈঠকত মিলিত হয় কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে। এই বৈঠকত কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা যোগাযোগ সমন্বয়ক উপস্থিত থাকে। বৈঠকৰ পিছতে ৰাষ্ট্ৰপতি মুৰ্মুলৈ মণিপুৰ সন্দৰ্ভত এখন পত্ৰ প্ৰেৰণ কৰে মল্লিকাৰ্জুন খাৰ্গেয়ে। পত্ৰখনত কংগ্ৰেছৰ অধ্যক্ষগৰাকীয়ে কংগ্ৰেছৰ ১২টা মূল দাবীৰ ওপৰত আলোকপাত কৰে। ইয়াৰ ভিতৰত উগ্ৰপন্থী সংগঠনসমূহ নিয়ন্ত্ৰণৰ প্ৰচেষ্টা, স্থানচ্যুত লোকসকলক পুনৰ সংস্থাপন নিশ্চিত কৰা আৰু হিংসাৰ বলি হোৱা লোকসকলক পৰ্যাপ্ত ক্ষতিপূৰণৰ দাবী আদি অন্যতম। সাহায্য শিবিৰত থকা শিশুসকলক শিক্ষাৰ ব্যৱস্থা কৰা, সাহায্য শিবিৰত অনাময় ব্যৱস্থাৰ দৰে মৌলিক আন্তঃগাঁথনি আৰু স্বাস্থ্য সেৱাৰ উন্নতি সাধন কৰিবলৈও কংগ্ৰেছে দাবী জনায়। কেৱল এয়াই নহয়, কংগ্ৰেছে লগতে অভিযোগ উত্থাপন কৰিছে যে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ দুয়োখন চৰকাৰে এই হিংসাত্মক পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ অতি মন্থৰ গতিৰে কাম কৰি আছে। চৰকাৰৰ পদক্ষেপক লৈ পত্ৰযোগে উদ্বেগ প্ৰকাশ কৰে কংগ্ৰেছৰ অধ্যক্ষ খাৰ্গেই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত প্ৰদেশ কংগ্ৰেছৰ প্ৰতিবাদ

কংগ্ৰেছে দীঘলীপুখুৰীৰ পাৰত সন্ধিয়া ৫ বজাৰ পৰা মম জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে। শ শ কংগ্ৰেছ কৰ্মীয়ে দীঘলীপুখুৰীৰ পাৰত প্ৰতিবাদ কৰি থকাৰ সময়তে আৰক্ষীয়ে কংগ্ৰেছ কৰ্মীসকলক আগুৱাই যোৱাত বাধা প্ৰদান কৰে আৰু তেতিয়াই কংগ্ৰেছৰ নেতা-কৰ্মীসকলে বিজেপি মূৰ্দাবাদ, নৰেন্দ্ৰ মোদী মূৰ্দাবাদ, গৃহমন্ত্ৰী অমিত শ্বাহে পদত্যাগ কৰক, মণিপুৰৰ বিজেপি চৰকাৰক বৰ্খাস্ত কৰক আদি ধ্বনি দিবলৈ আৰম্ভ কৰে। প্ৰতিবাদস্থলীত বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই কংগ্ৰেছ কৰ্মীসকলক নেতৃত্ব দিয়ে। দীঘলীপুখুৰীৰ পৰা হাতত মম লৈ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ফালে আগবাঢ়িছিল যদিও আৰক্ষীয়ে সমদলটোক আগবঢ়াত বাধা দিয়ে। বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই কংগ্ৰেছ কৰ্মীসকলক সম্বোধন কৰি কয় যে বিজেপিয়ে জনগোষ্ঠীসমূহৰ মাজত ভেদ-ভাৱ সৃষ্টি কৰি মণিপুৰক অশান্ত কৰি তুলিছে। মণিপুৰলৈ প্ৰধানমন্ত্ৰী কিয় নাহে বুলি প্ৰশ্ন কৰি শইকীয়াই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মণিপুৰত হৈ থকা হত্যা-হিংসাক গুৰুত্ব দিব নোখোজাতো দেশৰ সংবিধান বিৰোধী কথা। মণিপুৰত নাৰী আৰু শিশুৰ অধিকাৰ সম্পূৰ্ণৰূপে খৰ্ব হৈছে। প্ৰধানমন্ত্ৰীক মণিপুৰৰ হিংসাত্মক পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবৰ বাবে দাবী জনাই বিৰোধী দলৰ নেতা শইকীয়াই। প্ৰতিবাদস্থলীত প্ৰাক্তন সাংসদ ৰিপুণ বৰা, আব্দুল খালেকেও বিজেপিৰ অপশাসনৰ ফলতেই মণিপুৰ আজি জ্বলি আছে বুলি অভিযোগ কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি পূৰ্ণকান্ত গগৈ, ৰূপা দেউৰী, জ্যেষ্ঠ নেতা বলীন কুলী, ৰামান্না বৰুৱা, বিপুল গগৈ, দ্বীপ বায়ন, প্ৰদ্যুৎ ভূঞা প্ৰমুখ্যে কংগ্ৰেছ নেতাসকল উপস্থিত থাকে। প্ৰতিবাদী সভাখনৰ আঁত ধৰে প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিংসাৰ মাজতে মণিপুৰত বিজেপিত

'অপাৰেশ্যন অল আউট একশ্যন প্লেন'। এই অভিযান ২৪ ঘণ্টাৰ ভিতৰত কাৰ্যকৰী হোৱাৰ সম্ভাৱনা আছে। এই অভিযানত উগ্ৰপন্থী, উগ্ৰপন্থীৰ গোটৰ সমৰ্থক, অস্ত্ৰ যোগানধাৰীক লক্ষ্য কৰি লোৱা হ'ব। এই অভিযানত অত্যন্ত কঠোৰ হ'ব পাৰে অৰ্ধসামৰিক বাহিনী। অভিযানৰ নেতৃত্ব দিব চিআৰপিএফে। কিন্তু ৰাজ্যিক আৰক্ষী আৰু অন্যান্য অৰ্ধসামৰিক বাহিনীয়ে সহায় কৰিব চিআৰপিএফক। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিশেষ জৰুৰী বৈঠকৰ পাছতে এই সিদ্ধান্ত লয়। কিন্তু শ্বাহৰ বৈঠকলৈ আমন্ত্ৰণ জনোৱা হোৱা নাছিল মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙক। অস্থিৰ পৰিস্থিতিৰ মাজতে মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় নেতৃত্বৰ বিৰুদ্ধে আৰু বিজেপিৰ কুকি বিধায়কসকলে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিসম্বাদ কৰিবলৈ তলে তলে যো-জা চলাইছে বুলিও চৰ্চা চলা দেখা গৈছে। এফালে, মুখ্যমন্ত্ৰীক কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে বৈঠকলৈ আমন্ত্ৰণ জনোৱা নাই আৰু আনফালে মুখ্যমন্ত্ৰী সিঙৰ পৰা ফলৰি কাটিছে কুকি বিধায়কসকল। কিয়নো খোদ মুখ্যমন্ত্ৰীয়ে আহ্বান জনোৱা বৈঠকলৈ নাহিল ৭ কুকি বিধায়ক। সোমবাৰে নিশা মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱাসত অনুষ্ঠিত কৰা হয় বিধায়কৰ জৰুৰী বৈঠক। বিধায়ক উপস্থিত নথকাৰ কাৰণতহে মুখ্যমন্ত্ৰী এন বিৰেন সিঙৰ বৈঠক চৰ্চালৈ আহিছে। বৈঠকত শাসকপক্ষত থকা ৪৫ গৰাকী বিধায়কৰ ভিতৰত ১৮জন বিধায়কেই অনুপস্থিত আছিল। ইয়াৰে এজন হৈছে মন্ত্ৰী। দুদিন পূৰ্বে বিজেপিৰ মিত্ৰদল নেচনেল পিপলছ পাৰ্টিয়ে চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰিছিল। এনপিপিৰ এই ৭ বিধায়কো বৈঠকত উপস্থিত নাছিল। অসুস্থতাৰ উদ্ধৃতি দি বিধায়ক উপস্থিতি নথকাত চৰকাৰ বৰ্তি থাকিব নে নাই তাকে লৈয়ো চৰ্চা চলিছে। অনুপস্থিত বিধায়কৰ ভিতৰত অধিকাংশই কুকি বিধায়ক। মুখ্যমন্ত্ৰীৰ বৈঠক বয়কট কৰা মন্ত্ৰীসহ ১১ বিধায়কক কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হৈছে। উল্লেখ্য যে, পৰিস্থিতি নিয়ন্ত্ৰণত ব্যৰ্থ এন বীৰেন সিঙে বৈঠকত সংঘাত ৰোধৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয়। মণিপুৰত পুনৰ সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন জাপি নিদিবলৈ কেন্দ্ৰক আহ্বান জনায়। এই সম্পৰ্কত কেন্দ্ৰক পুনৰীক্ষণৰ আহ্বান জনোৱাৰ প্ৰস্তাৱ লয় বৈঠকে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ সিদ্ধান্তক পুনৰীক্ষণৰ বাবে আবেদন জনাব। জিৰিবামৰ কেঁচুৱাসহ ছয় মহিলাক হত্যা কৰাত কুকি উগ্ৰপন্থীকে জগৰীয়া কৰি ৭ দিনৰ ভিতৰত কুকি উগ্ৰপন্থীক অবৈধ ঘোষণা কৰাৰো প্ৰস্তাৱ গ্ৰহণ কৰে বৈঠকে। ইপিনে আজি কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশৰ নেতৃত্বত অৰুণাচলৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নবাম টুকি, মণিপুৰ কংগ্ৰেছৰ সভাপতি কেইশাম মেঘাচন্দ্ৰ, মণিপুৰৰ সাংসদ এ বিমোল আকোইজাম, এআইচিচিৰ কাৰ্যবাহী সদস্য নিঙোমবাম ভূপেন্দ্ৰ মেইটেয়ে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জন খাৰ্গেক সাক্ষাৎ কৰে। মণিপুৰৰ শেহতীয়া পৰিস্থিতিক লৈ আলোচনাত মিলিত হৈ প্ৰতিনিধি দলটোৱে মণিপুৰৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে খাৰ্গেক অৱগত কৰে। এনেদৰে এতিয়া অস্থিৰ হৈ পৰিছে মণিপুৰৰ ৰাজনীতি। ইয়াৰ মাজতে কেন্দ্ৰ চৰকাৰে ৰাজ্যখনত অপাৰেশ্যন অল আউট একশ্যন চলাবলৈ যো-জা চলোৱা বিষয়টোৱে বহু ইংগিত প্ৰদান কৰিছে। একাংশই ৰাজ্যখনত এতিয়া বিজেপিৰ শীৰ্ষ নেতৃত্বই মুখ্যমন্ত্ৰীক বৰ্খাস্ত কৰি ৰাষ্ট্ৰপতিৰ শাসন দিবলৈ বাধ্য হৈ পৰিব বুলিও মন্তব্য কৰা দেখা গৈছে।

# কৰ্তা বাবাৰ শেষ নিশ্বাস ত্যাগ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ব্ৰহ্মচাৰী আজি বৈকুণ্ঠগামী হয়। কৰ্তা বাবা নামে প্ৰখ্যাত শিলচৰৰ শ্যামানন্দ আশ্ৰমৰ প্ৰধান সন্ন্যাসী জীতেন্দ্ৰ ব্ৰহ্মচাৰীয়ে ১০০ বছৰ বয়সত মৃত্যুক আঁকোৱালি লয়। আজি বিশিষ্ট আধ্যাত্মিক বাবাগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ বৰাক এলেকাত শোকৰ ছাঁ পৰে। মৃত্যুৰ খবৰ প্ৰচাৰ হোৱাৰ পাছতে শিলচৰৰ শ্যামানন্দ আশ্ৰম ভক্তৰে ভৰি পৰে। শ-শ লোকে শেষ আশ্ৰমত জীতেন্দ্ৰ ব্ৰহ্মচাৰীক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সন্ন্যাসীগৰাকীয়ে ১২ বছৰ বয়সৰ পৰাই সন্ন্যাস গ্ৰহণ কৰিছিল। ১৯৭০ চনৰ পৰাই মৌনব্ৰত ধাৰণ কৰি আছিল। ৫৫ বছৰে মৌনব্ৰত কৰি অহা বাবাই অংগী-ভংগীৰে তথা কলমেৰে লিখি ভাবৰ আদান-প্ৰদান কৰি আহিছিল।

# ঝাৰখণ্ডত কি ফুল ফুলালে?

■ প্ৰথম পৃষ্ঠাৰ পৰা...

বিশ্ব শৰ্মাক এতিয়া বহুতে পাৰ্ট-টাইম মুখ্যমন্ত্ৰী বুলিহে অভিধা দিবলৈ আৰম্ভ কৰিছে। অসমৰ ৫টা সমষ্টিৰ উপ-নিৰ্বাচনত এদিন ভুমুকি মাৰিয়েই প্ৰস্থান কৰা হিমন্ত বিশ্ব শৰ্মাই সাম্প্ৰদায়িক কথা-বতৰাৰে উত্তেজনাৰ সৃষ্টি কৰি ৰাখিছিল আৰু অসমৰ মুখ্যমন্ত্ৰীজনৰ বিৰুদ্ধে ঝাৰখণ্ডত কেবাটাও গোচৰো পঞ্জীয়ন হৈছে। অসমৰ পৰম্পৰা আৰু লোক-সংস্কৃতিক সমগ্ৰ দেশৰ মানুহে শ্ৰদ্ধা কৰে আৰু অসমৰ মানুহ শান্তিপ্ৰিয় বুলি ড০ ভূপেন হাজৰিকাক মৰণোত্তৰভাৱে ভাৰত ৰত্ন বঁটা প্ৰদান কৰা অনুষ্ঠানত চৰকাৰীভাৱে ঘোষণা কৰা হৈছিল। কিন্তু সম্প্ৰতি অসমৰ মুখ্যমন্ত্ৰীজনৰ মুখত এনেকৈ সাম্প্ৰদায়িক বিষবাষ্প বিস্ফোৰিত হৈছে যে ঝাৰখণ্ডত অসমৰ মানুহৰ কথা কোৱাৰ ভংগীমা আৰু ব্যৱহাৰক লৈয়ে চৰ্চিত হোৱা আৰম্ভ হৈছে। বহু এলেকাত হিমন্ত বিশ্ব শৰ্মা গ'বেক ধ্বনিও শুনা গৈছে। ঝাৰখণ্ড জ্বলাই অসমলৈ আহিয়েই পুনৰ বিভেদকামী ৰাজনীতি আৰম্ভ কৰে। এই অনুযায়ী আজি কেবিনেট বৈঠক অনুষ্ঠিত কৰি ধৰ্মীয় মেৰু বিভাজনক গুৰুত্ব দি এক সিদ্ধান্ত লৈ বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলাৰ নাম সলনি কৰাৰ কথা ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। কেবিনেট বৈঠকৰ অন্তত জনতা ভৱনত খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল সম্বোধন কৰি বৰাক উপত্যকাৰ জিলা কৰিমগঞ্জৰ নাম সলনি কৰি 'শ্ৰীভূমি' কৰাৰ কথা ঘোষণা কৰিছে। কিয় কৰিমগঞ্জৰ নাম সলনি কৰা হৈছে সেই কথাৰ বৰ্ণনা দি মুখ্যমন্ত্ৰীয়ে কয় যে ১০০ বছৰ পূৰ্বে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কৰিমগঞ্জ জিলাক 'শ্ৰীভূমি' বুলি বৰ্ণনা কৰিছিল। অৰ্থাৎ মা লক্ষ্মীৰ ভূমি। সেয়েহে এই সিদ্ধান্ত লোৱা হৈছে। কৰিমগঞ্জ জিলাৰ নামৰ দৰেই অসমৰ বহু গাঁও-চহৰৰ নাম সলনি কৰা হ'ব বুলিও উল্লেখ কৰিছে মুখ্যমন্ত্ৰীয়ে। কৰিমগঞ্জ জিলাৰ নাম সলনি কৰাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অখিল গগৈয়ে। অখিল গগৈয়ে 'হিমন্ত' নামটো সলনি কৰিব লাগিব বুলি কটাক্ষ কৰি কয় যে 'হিমন্ত' শব্দটো বৰ ভাল নালাগে। মানুহে ভুল কৰে উচ্চাৰণত আৰু ঐতিহাসিকো নহয় নামটো। মই কাইলৈ হিমন্ত বিশ্ব শৰ্মাৰ এটা নতুন নাম দিম! একেখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে জানুৱাৰীত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। দুটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৩০ ডিচেম্বৰত প্ৰকাশ কৰা হ'ব খচৰা ভোটাৰ তালিকা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ২৪ ফেব্ৰুৱাৰীত দ্বিতীয় আচাম ইনভেষ্টমেণ্ট এণ্ড ইনফ্ৰাষ্ট্ৰাক্সাৰ চামিত অনুষ্ঠিত কৰাৰ কথাও ঘোষণা কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰক ৰাজ্যিক সমন্বয়ক সংস্থা হিচাপে অনুমোদন জনাইছে। ৰাজ্য চৰকাৰ, ইছৰো, ডিঅ'এছ, নেছাকৰ সৈতে লগলাগি অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰক উন্নত সংস্থা ৰূপে গঢ় দিয়া হ'ব। জলসম্পদ, জলসিঞ্চন, কৃষি, ৰাজহ-দুৰ্যোগ ব্যৱস্থাপনা বিভাগক ইনপুট দিয়াত সহায় কৰিব এই কেন্দ্ৰটোৱে। কৃষি বনানীকৰণত উৎসাহ যোগাই বনাঞ্চল বৃদ্ধি কৰাৰো পৰিলকল্পনা কৰিছে চৰকাৰে। আজিৰ কেবিনেটে অসম কৃষি বনানীকৰণ নীতি-২০২৪ক অনুমোদন জনাইছে। বননীকৰণক লৈ ৰাজ্যিক নীতি গ্ৰহণ কৰি জলবায়ু পৰিৱৰ্তনৰ প্ৰতিকূল প্ৰভাৱ হ্ৰাস, বনাঞ্চল বৃদ্ধি, কৃষকৰ উপাৰ্জন বৃদ্ধি আৰু গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ পণ লৈছে চৰকাৰে। ৰাজহ বৃদ্ধি, কৰদাতাসকলৰ সুবিধা প্ৰদান কৰিবলৈ অসম সামগ্ৰী আৰু সেৱা কৰি আইন সংশোধন আইন অধ্যাদেশকো অনুমোদন জনাইছে কেবিনেটে। গ্ৰাম্য অৰ্থনীতিৰ গতি ত্বৰান্বিত কৰিবলৈ ভূমি সংৰক্ষণ আৰু কৃষি খণ্ডত ৭০.৩৩৩২ টকা ব্যয়েৰে ৯৪টা প্ৰকল্প ৰূপায়নত অনুমোদন জনাইছে। ইয়াৰে ৬০টা ভূমি সংৰক্ষণ, ৩৪টা সৌৰ শক্তি চালিত ক্ষুদ্ৰ জলসিঞ্চন আঁচনি। এনেদৰে ঝাৰখণ্ডৰ নিৰ্বাচনী ব্যস্ততাৰ পৰা আজৰি হৈয়েই আজি কেবিনেটত চমক দিবলৈ চেষ্টা চলাই মুখ্যমন্ত্ৰীগৰাকীয়ে। উল্লেখ্য যে, হিমন্ত বিশ্ব শৰ্মা দীৰ্ঘদিন ধৰি অসমত নথকাৰ ফলত অসমৰ বহু বিভাগৰ গুৰুত্বপূৰ্ণ ফাইল স্বাক্ষৰ নকৰাকৈ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত দম হৈ পৰি আছে। সচিবালয়ক ডিজিটেল কৰাৰ নামত পুৰণি ফাইল ধ্বংস কৰাৰ ষড়যন্ত্ৰত নমা মুখ্যমন্ত্ৰীয়ে এতিয়া নিজৰ কাৰ্যালয়ত শ শ ফাইল আৱদ্ধ কৰি ৰাখিছে বুলি সচিবালয়ৰ সূত্ৰসমূহে জানিবলৈ দিছে। বিশেষকৈ বিত্ত বিভাগৰ বহু ফাইল মুখ্যমন্ত্ৰীৰ টেবুলত পৰি আছে। বিত্তীয় অনমোদন নোহোৱাৰা ববে বাজেটত গ্ৰহণ কৰা বহু আঁচনিও এতিয়া ৰূপায়ণ কৰিব পৰা নাই। কথাৰ ফিতাহি মাৰি য'তে-ত'তে আঁচনি ঘোষণা কৰা মুখ্যমন্ত্ৰীজনে পুঁজিৰ অভাৱত এতিয়া বিভাগসমূহলৈ আঁচনিৰ ধন মোকলাই দিয়া নাই। আনটো বাদেই কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা জল-জীৱন আঁচনিৰ হাজাৰ কোটি টকাও ৰাজহ শিতানত জমা কৰি কৰ্মচাৰীক দা-দৰমহা দিয়া বুলি সূত্ৰসমূহে আঙুলিয়াই দিছে। ৰাজ্যৰ অৰ্থনীতি দুৰ্বল হৈ পৰা মুখ্যমন্ত্ৰীয়ে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণতো কোনো গুৰুত্ব নিদিয়াত খুচুৰা মুদ্ৰাস্ফীতি দ্ৰুত হাৰত বৃদ্ধি পাইছে। ফলত ঘৰুৱা ব্যৱহাৰ্য সামগ্ৰীৰ দাম আকাশলংঘী হৈ পৰিছে। শাক-পাচলি, গাখীৰ, ঔষধৰ পৰা আৰম্ভ কৰি স্থানীয়ভাৱে উৎপাদিত সা-সামগ্ৰীৰ দামো ব্যপক হাৰত বৃদ্ধি পাইছে। ৰাজ্যখনৰ সাধাৰণ মানুহৰ কথা ভাবিবলৈ সময় নথকা মুখ্যমন্ত্ৰীয়ে ঝাৰখণ্ডত নিৰ্বাচনী প্ৰচাৰ চলাই কি ফুল ফুলালে সেয়া ২৩ নৱেম্বৰত স্পষ্টকৈ জানিব পৰা যাব।

# আজি আছুৰে কঁপাব জিলা সদৰ

■ ৬নং পৃষ্ঠাৰ পৰা...

৪০০ টকা, আদা প্ৰতিকেজি ৩০০ টকা, গাজৰ প্ৰতি কেজি ১২০ টকাত কিনি খাবলগীয়া হৈছে মানুহে। ৰাজ্যৰ বজাৰত চৰকাৰ, প্ৰশাসনৰ কোনো নিয়ন্ত্ৰণ নাই নথকাত যিয়ে যেনেকৈ পাৰিছে তেনেকৈ খাদ্য-সামগ্ৰী বিক্ৰী কৰি গৈছে। খাদ্য-সামগ্ৰীৰ দাম ৰোধ কৰাত চৰকাৰ বিফল হোৱাত প্ৰতিবাদ কৰি গৈছে সদৌ অসম ছাত্ৰ সন্থাই। ১১ নৱেম্বৰত সদৌ অসম ছাত্ৰ সন্তাৰ প্ৰতিখন আঞ্চলিক সমিতিয়ে যোগান মন্ত্ৰী ৰণজিৎ দাসৰ পুত্তলিকা দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছিল। এইবাৰ কাইলৈ অৰ্থাৎ ২০ নৱেম্বৰত প্ৰতিখন জিলা সদৰত মূল্যবৃদ্ধিৰ বিৰুদ্ধে আছুৱে বিক্ষোভ প্ৰদৰ্শন কৰিব। আঞ্চলিক সমিতিৰ পৰা অহা সমৰ্থক, নেতা-কৰ্মীয়ে জিলা সদৰত প্ৰতিবাদ সাব্যস্ত কৰি দাম কমোৱাৰ দাবী জনাব। ৯ নৱেম্বৰত আছুৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদস্থিত মুখ্য কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যনিৰ্বাহকত মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ সিদ্ধান্ত লৈছিল। কাৰ্যনিৰ্বাহকত আছুৱে মূল্যবৃদ্ধিৰ বিৰুদ্ধে ততা বিজেপি চৰকাৰৰ বিৰুদ্ধে ১১ নৱেম্বৰ আৰু ২০ নৱেম্বৰত প্ৰতিবাদ কৰাৰ সিদ্ধান্ত লৈছিল। আছুৰ এই প্ৰতিবাদক হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে কেনেকৈ লয় সেয়া লক্ষণীয় হ'ব।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## অভিজাত পৰিয়ালৰ বিৰুদ্ধে অভিযোগৰ আঙুলি

# ধেমাজিত বনকৰা শিশুক নিৰ্যাতন

**ই-সংবাদ, ১৯ নৱেম্বৰঃ** গুৱাহাটীৰ জটিয়াত এটি কিশোৰক এপেকেট গাখীৰ চুৰি কৰাৰ অপৰাধত গণ প্ৰহাৰ কৰাৰ ঘটনাই ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰি থকাৰ সময়তে এইবাৰ ধেমাজিত অভিজাত পৰিয়ালত শিশুৰ নিগ্ৰহৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। বনকৰা হিচাপে ৰখা শিশুক অকথ্য নিৰ্যাতন চলোৱাত নিৰ্যাতন সহিব নোৱাৰি শিশুটোৱে পলায়ন কৰাৰ ঘটনাই হায়ৰাণ কৰিছে শেষাংশ ১২ পৃষ্ঠাত

# নিতুমনি শইকীয়াক বীৰ ৰাঘৱ মৰাণ বঁটা প্ৰদান

## ডুমডুমাত বীৰ ৰাঘৱৰ ২৮৯ সংখ্যক দিৱস

**ই-সংবাদ, ডুমডুমা, ১৯ নৱেম্বৰঃ** অসমৰ আদিম ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক তথা বিশ্বৰ সৰ্বপ্ৰথম গণবিপ্লৱৰ প্ৰধান নেতা বীৰ ৰাঘৱ মৰাণৰ ২৮৯ সংখ্যক দিৱস-২০২৪ উপলক্ষে অসম জাতীয়তবাদী যুৱ-ছাত্ৰ পৰিষদে আজি ডুমডুমাৰ দাইচাত ৰাজ্যৰ বিশিষ্ট সাংবাদিক, সু-বক্তা, চিন্তাবিদ তথা আগশাৰীৰ বৈদ্যুতিন মাধ্যম প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমনি শইকীয়াক "বীৰ ৰাঘৱ মৰাণ বঁটা- ২০২৪" প্ৰদান কৰে। নিৰ্ভীক সাংবাদিকগৰাকীয়ে বঁটা গ্ৰহণ কৰি বীৰ ৰাঘৱ মৰাণৰ গুণ-গৰিমাৰ বিষয়ে উল্লেখ কৰি কয় যে ৰাঘৱ মৰাণ সৌ তাহানি কালৰ সাহস, সময়, সপোন আৰু শেষাংশ ১২ পৃষ্ঠাত



# শিৱসাগৰত চাঞ্চল্য

## ব্যৱসায়ীক ধন দাবী কৰি আৰক্ষীৰ জালত ২ জন

**ই-সংবাদ, শিৱসাগৰ, ১৯ নৱেম্বৰঃ** আলফা স্বাধীনৰ অহা ২৮ নৱেম্বৰৰ প্ৰতিবাদ দিৱসৰ প্ৰতি লক্ষ্য ৰাখি শিৱসাগৰ জিলাতো কটকটীয়া নিৰাপত্তাৰ বেহু গঢ়ি তুলিছে আৰক্ষীয়ে। বিগত ৬ অক্টোবৰত আলফা স্বাধীনৰ দ্বাৰা শেষাংশ ১৩ পৃষ্ঠাত

# আজি আছুৱে কঁপাব জিলা সদৰ

**ই-সংবাদ, ১৯ নৱেম্বৰঃ** অসমৰ বজাৰত প্ৰতিকেজি পিঁয়াজ ৮০ৰ পৰা ৯০ টকাকৈ বিক্ৰী হৈছে। আলু প্ৰতিকেজি ৪০ৰ পৰা ৫০ টকা, নহৰু প্ৰতিকেজি শেষাংশ ১৩ পৃষ্ঠাত

# দিল্লীত কৃত্ৰিম বৰষুণ বিচাৰিছে আপ চৰকাৰে

**নতুন দিল্লী, ১৯ নৱেম্বৰঃ** ভয়ংকৰ দূষণৰ সন্মুখীন হোৱা দিল্লীবাসীক প্ৰদূষণৰ পৰা কিছু হ'লেও ৰেহাই দিব পাৰিব এজাক কৃত্ৰিম বৰষুণে। এই দাবীৰেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হস্তক্ষেপ বিচাৰি এখন পত্ৰ লিখিছে দিল্লীৰ পৰিৱেশ মন্ত্ৰী গোপাল ৰায়ে। উল্লেখ্য যে, ঘন ধোঁৱাই আৱৰি ৰখা দিল্লীৰ আকাশে দুৰ্বিসহ কৰি ৰাখিছে শেষাংশ ১৩ পৃষ্ঠাত

# বিহগী কবি ৰঘুনাথ চৌধাৰীক স্মৰণ বিৰিণা গোষ্ঠীৰ, পৰীক্ষিত বৈশ্যক বিশেষ বঁটা

**ই-সংবাদ, মুকালমুৱা, ১৯ নৱেম্বৰঃ** অসমৰ অন্যতম সাহিত্য-সাংস্কৃতিক অনুষ্ঠান বিৰিণা গোষ্ঠী-অসমৰ উদ্যোগত কালি সন্ধিয়া সৰ্থেবাৰীৰ ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ আখৰাগৃহত পালন কৰা হ'ল বিহগী কবি ৰঘুনাথ চৌধাৰীৰ স্মৃতি দিৱস। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি বিৰিণা গোষ্ঠী-অসমৰ নৱেম্বৰ মাহৰ সাহিত্য আলাপ বিৰিণা বৈভৱ, বঁটা প্ৰদান আৰু গ্ৰন্থ উন্মোচনী সভাও অনুষ্ঠিত কৰা হয়। কালি সন্ধিয়া বৰপেটা জিলাৰ সৰ্থেবাৰীস্থিত ৰাজনন্দিনী ভ্ৰাম্যমাণ নাট্যদলৰ আখৰাথলীত গোষ্ঠীটোৰ ভাৰপ্ৰাপ্ত সভাপতি বাবুল বণিক্যৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে গোষ্ঠীটোৰ সম্পাদক তফিকুৰ ৰহমানে। বন্তি প্ৰজ্বলন কৰে বিশিষ্ট গল্পকাৰ অজিত ৰাজবংশীয়ে। ৰঘুনাথ চৌধাৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বিশিষ্ট লেখিকা পাৰ্বতী পাটোৱাৰীয়ে। সমূহীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে সৰ্থেবাৰীস্থিত বঞ্চিত চৌধুৰী শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য মধুসূদন ডেকাই। নটৰাজৰ সন্মুখত বন্তি প্ৰজ্বালন কৰে সৰুক্ষেত্ৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক গীতাৰ্থ ডেকাই । আদৰণি ভাষণ প্ৰদান কৰে বিৰিণা গোষ্ঠী-অসমৰ উপদেষ্টা তথা সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰে। অনুষ্ঠানত বিৰিণা গোষ্ঠী-অসমৰ শৰৎ সংখ্যক ক্ষুদ্ৰ কাব্য আলোচনী "বীথিকা" উন্মোচন কৰে সৰ্থেবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দীপাংকৰ বৰ্মনে। সভাখনত ভাষণ প্ৰদান কৰি দীপাংকৰ বৰ্মনে কয় যে সাহিত্য হৈছে সমাজৰ দাপোণ আৰু সাহিত্য সেৱক হৈছে সমাজৰ একোটা খুঁটা। বিশিষ্ট কবি-লেখিকা ললিতা দাসৰ "ককা-আইতা আৰু সোণালী শৈশৱ" কাব্যগ্ৰন্থখন উন্মোচন কৰি গ্ৰন্থখন সম্পৰ্কত আৰু ৰঘুনাথ চৌধাৰীৰ জীৱন-কৃতি আৰু সৃষ্টিৰাজিৰ বিষয়ে ভাষণ প্ৰদান কৰে বিশিষ্ট কবি-সাহিত্যিক ডঃ বিনয় কুমাৰ মজুমদাৰে। ভাষণ প্ৰদান কৰি নিজৰ স্বাভিমান বজাই ৰাখিব পাৰিলেহে এটা জাতি সুৰক্ষিতহৈ থাকিব বুলিও মন্তব্য প্ৰকাশ কৰে ডঃ বিনয় কুমাৰ মজুমদাৰে। পিজা, বৰ্গাৰ খোৱাৰ সমান্তৰালকৈ আমাৰ সান্দহগুৰি, টেকেলিপিঠা, ঘিলা পিঠা আদি আনক খুৱাব লাগিব বুলিও মন্তব্য প্ৰকাশ কৰে ডঃ বিনয় কুমাৰ মজুমদাৰে। উক্ত অনুষ্ঠানতে ৰঘুনাথ চৌধাৰীৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে বিৰিণা গোষ্ঠী-অসমে প্ৰতি বছৰে প্ৰদান কৰি অহা ৰঘুনাথ চৌধাৰী সোঁৱৰণী বিশেষ বঁটা এইবেলি প্ৰদান কৰা হয় বৰক্ষেত্ৰীৰ প্ৰগতিশীল লেখক-সাহিত্যিক তথা চিন্তাশীল ব্যক্তি পৰীক্ষিত বৈশ্যক। বঁটা গ্ৰহণ কৰি পৰীক্ষিত বৈশ্যই আপ্লুত হোৱাৰ লগতে বিৰিণা গোষ্ঠী-অসমৰ এই পদক্ষেপৰ শলাগ লগায়। নলবাৰী জিলাৰ অতিৰিক্ত আয়ুক্ত ৰাজীৱ কুমাৰ দাসে গোষ্ঠীটোৰ হৈ শেষাংশ ১২ পৃষ্ঠাত

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত ইউ পি এচ চিৰ প্ৰাক্তন অধ্যক্ষ

**ই-সংবাদ, ডিব্ৰুগড়, ১৯ নৱেম্বৰঃ** ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰতিযোগিতামূলক পৰীক্ষাত অবতীৰ্ণ হ'বলৈ দৈনিক এটা নহয় এটা নতুন কথা শিকিবলৈ, বুজিবলৈ চেষ্টা কৰাৰ প্ৰয়োজন। দৈনিক মনৰ মাজত যিকোনো এটা বিষয়ৰ বাবে অনেক প্ৰশ্ন কৰা প্ৰয়োজন। ভাৰতীয় লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ তথা ভাৰতবৰ্ষৰ এগৰাকী জনপ্ৰিয় শিক্ষাবিদ ড° ডি পি আগৰৱালে এইদৰে কয়। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু বি চি এ বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা অন্তৰংগ আলাপত ড° আগৰৱালাই কয়- দৈনিক বাতৰি কাকত, আলোচনী অধ্যয়ন কৰাই নহয়, নিজৰ ঠাইখনৰ, ৰাজ্যখনৰ, দেশখনৰ বিভিন্ন ঠাই, অঞ্চলসমূহক লৈও প্ৰশ্ন মনলৈ অনা প্ৰয়োজন আৰু তেনে অভ্যাসে ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাত সহায় কৰে। তেওঁ কয় ছাত্ৰ-ছাত্ৰী সকলে সৰুৰে পৰা তেনে প্ৰতিযোগিতামূলক পৰীক্ষাত অবতীৰ্ণ হ'বলৈ লক্ষ্য বান্ধি লোৱা প্ৰয়োজন আৰু ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত সৰু সৰু গোটত বিভক্ত হৈ তেনে আলোচনাচৰ্চা কৰা প্ৰয়োজন। ছাত্ৰ একতা সভাৰ দৰে সংগঠনসমূহে মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত তেনে প্ৰতিযোগিতামূলক পৰীক্ষাৰ পৰিৱেশ গঢ়ি তুলিব পাৰে আৰু দেশৰ সেৱা কৰিবলৈ উপযুক্ত মানবসম্পদ সৃষ্টি কৰিব পাৰে। প্ৰায় এঘণ্টা ধৰি অনুষ্ঠিত হোৱা এই অন্তৰংগ আলাপৰ পূৰ্বে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই ভূতপূৰ্ব অধ্যক্ষগৰাকীক এখন ফুলাম গামোছাৰে আদৰণী জনায়। উল্লেখ্যযোগ্য যে ডও আগৰৱালা দীৰ্ঘদিন ধৰি ভাৰতীয় লোকসেৱা আয়োগৰ স'তে জড়িত হৈ থকাৰ লগতে ভাৰত চৰকাৰৰ বিভিন্ন উচ্চ পৰ্যায়ৰ সমিতিৰ সদস্য হিচাপে সেৱা আগবঢ়াইছিল। ভূতপূৰ্ব অধ্যক্ষগৰাকীক ছাত্ৰ- ছাত্ৰীসকলে বিভিন্ন প্ৰশ্ন সোধে আৰু তেওঁ যথাযথভাৱে উত্তৰ প্ৰদান কৰে। অন্তৰংগ আলাপ অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডও শশীকান্ত শইকীয়া, উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী উপস্থিত থাকে। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ত অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা ৰাজকোঁৱৰ, বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰতিষ্ঠাপক উপাচাৰ্য ড° জ্যোতি প্ৰসাদ শইকীয়া, শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জে পি বাৰ্মা, ভাৰপ্ৰাপ্ত পঞ্জীয়ক যজ্ঞেশ্বৰ গোস্বামী শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ আৰম্ভণী কৰিবলৈ মহাবিদ্যালয়খনত থকা বিশ্ববিদ্যালয় কেন্দ্ৰটোত উপস্থিত হৈছিল।

## নীৰৱ দৰ্শকৰ ভূমিকাত আৰক্ষী প্ৰশাসন

# ৰাস মহোৎসৱৰ গইনাৰে শুৱালকুছিত বালিচৰত জুৱাৰ বেহা

**ই-সংবাদ, হাজো, ১৮ নৱেম্বৰঃ** যৌতুকৰ বাবে বোৱাৰীৰ ওপৰত পুনৰ নিৰ্যাতনৰ ঘটনা সংঘটিত হ'ল হাজোত। হাজোৰ হাবলাখাত সংঘটিত হৈছে এই চাঞ্চল্যকৰ ঘটনা। ঘটনা অনুসৰি দুবছৰ পূৰ্বেই হাজোৰ হাবলাখা গাঁৱৰ ৰুবুল আলীৰ সৈতে নিকাহত বহিছিল হিৰাজেনী গাঁৱৰ ছাহিদা খাতুনে। কিন্তু বিয়াৰ ছমাহ পাছতে যৌতুক বিচাৰি স্বামী ৰুবুল আৰু তেওঁৰ মাতৃয়ে মিলি বোৱাৰী ছাহিদাৰ ওপৰত আৰম্ভ কৰিলে মানসিক তথা শাৰীৰিক নিৰ্যাতন। আনকি তিনিমাহৰ অন্তঃসত্বা বোৱাৰী ছাহিদাৰ গৰ্ভস্থ ভ্ৰূণ স্বামী ৰুবুল আৰু শাহু পৰিস্কাৰ বিবিয়ে জোৰ-জুলুমকৈ ঔষধ খুৱাই কৰিলে হত্যা। ইয়াৰ পিছতো পত্নী ছাহিদা খাতুনে সকলো নিৰ্যাতন সহ্য কৰি গ'ল একমাত্ৰ নিজৰ সংসাৰখন বচাই ৰাখিবলৈ। এনদৰে পুনৰ দ্বিতীয়বাৰলৈ অন্তঃসত্বা হয় ছাহিদা। এইবাৰ পাঁচমাহৰ গৰ্ভৱতী ছাহিদাৰ পেটত গুৰিয়াই গুৰিয়াই গৰ্ভস্থ সন্তানক হত্যা কৰিলে স্বামী ৰুবুল আৰু শাহু পৰিস্কাৰে। অচেতন অৱস্থাত ছাহিদাক মাতৃগৃহৰ লোকে হাস্পাতালত ভৰ্তি কৰোৱাৰ লগতে হাজো আৰক্ষী থানাত দাখিল কৰে এজাহাৰ। যদিও, পুনৰবাৰ নিজৰ সংসাৰৰ কথা ভাবিয়েই আপোচ মীমাংসাত স্বামীৰ ঘৰলৈ যায় ছাহিদা খাতুন। পুনৰ তৃতীয়বাৰলৈ গৰ্ভৱতী হোৱা ছাহিদাক এইবাৰ ঔষধ খুৱাই গৰ্ভস্থ ভ্ৰূণ হত্যাৰ চেষ্টা চলালে স্বামী আৰু শাহুয়ে। একমাত্ৰ ঔষধ নোখোৱাৰ বাবেই গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰি আহত কৰিলে ছাহিদাক। অৱশেষত অতিস্থ ছাহিদাৰ মাতৃগৃহৰ লোকে স্বামী ৰুবুল আৰু তেওঁৰ পৰিয়ালৰ লোকৰ বিৰুদ্ধে হাজো আৰক্ষী থানাত দাখিল কৰিলে এজাহাৰ। আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত আৰম্ভ কৰিছে তদন্ত।



বিশ্ব শিশু দিৱস পালন কৰিবলৈ এনেদৰেই সজাই তোলা হৈছে অসম সচিবালয়, মুখ্যমন্ত্ৰীয়ে শ্বেয়াৰ কৰিলে ফটো

# পূৱ ডিব্ৰুগড় শাখা সাহিত্য সভাৰ উদ্যোগত কবি সন্মিলন

**ই-সংবাদ, ডিব্ৰুগড়, ১৯ নৱেম্বৰঃ** ডিব্ৰুগড় নালিয়াপুলস্থিত পূৱ ডিব্ৰুগড় শাখা সাহিত্য সভাৰ প্ৰেক্ষাগৃহত পূৱ ডিব্ৰুগড় শাখা সাহিত্য সভাৰ উদ্যোগত এখনি কবি সন্মিলন অনুষ্ঠিত হৈ যায় । উক্ত কবি সন্মিলনৰ মুখ্য অতিথি তথা পৰ্যালোচক হিচাপে উপস্থিত থাকি বিশিষ্ট কবি, সমালোচক, ডিব্ৰুগড়ৰ অগ্ৰণী কাব্যানুষ্ঠান অনুৰাগ কাব্যগোষ্ঠীৰ সঞ্চালক বিজু শৰ্মাই কয় যে"অনুভৱ ব্যঞ্জিত হয়, এই ব্যঞ্জিত অনুভৱ প্ৰকাশৰো বাট এটাই; সেয়া হৈছে ব্যঞ্জনা সৃষ্টি কৰিব পৰা চিত্ৰকল্প আৰু শব্দৰ ধ্বনি ৰূপৰ সন্ধান। কবিতা হ'বলৈ ছবি আঁকা লাগে, অস্ফুত সুৰৰ কঁপনি এটা নহ'লে কবিতাই গতি লাভ নকৰে। " সম্পাদিকা কণকচম্পা বুঢ়াগোহাঁয়ে মহাপুৰুষীয়া ঘোষা পৰিৱেশনেৰে আৰম্ভ কৰা অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে লেখক, তথা পূব ডিব্ৰুগড সাহিত্য সভাৰ সভাপতি ধনীৰাম বৰুৱাই। প্ৰায় ৩০ গৰাকীকৈ কবিয়ে অংশ গ্ৰহণ কৰা অনুষ্ঠানটিত লেখিকা ডও প্ৰাতসলতা বুঢ়াগোহাই উপস্থিত থাকি স্বৰচিত কবিতা পাঠৰ লগতে কবি সকললৈ শুভেচ্ছা যাচে। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি নোমল গগৈও ভাষণ আগবঢ়ায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি নিকুঞ্জ চেতিয়া আৰু হেপি দত্ত দিহিঙিয়াই আধুনিক গীত পৰিৱেশন কৰে। কবিতা পাঠৰ অন্তত মুখ্য অতিথি তথা কবি সন্মিলনৰ পৰ্যালোচক বিজু শৰ্মাই সুন্দৰ পৰ্যালোচনাৰে কবি সকলক অনুপ্ৰাণিত কৰাৰ লগতে কবিতাৰ জয়যাত্ৰা অব্যাহত ৰাখিবলৈ কবিসকলক আহবান জনায়। সভাত অসম আদিত্য কাকতৰ সাংবাদিক তথা সমাজ সেৱক প্ৰশান্ত শইকীয়াক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। কবি সন্মিলনৰ পাছতে সভাপতিৰ মন্তব্য আগবঢ়ায় ধনীৰাম বৰুৱাই আৰু শলাগৰ শৰাই আগবঢ়ায় কণকচম্পা বুঢ়াগোহায়ে।

# শংকৰ আজান ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ দশম সংখ্যক নৱাগত আদৰণি সভা

**ই-সংবাদ, মৈৰাবাৰী,১৯ নৱেম্বৰঃ** দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৈৰাবাৰীৰ আগশাৰীৰ ব্যক্তিগত শিক্ষানুষ্ঠান "শংকৰ আজান চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ" দশম সংখ্যক নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয় হয়। প্ৰথম দিনা প্ৰথম কাৰ্যসূচী পতকা উত্তোলনৰে কাৰ্যসূচী শুভাৰম্ভ কৰে বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ফয়জুৰ ৰহমানে লগতে আত ধৰে অধ্যক্ষ দীনেশ চন্দ্ৰ নাথে । বৃক্ষৰোপন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বিদ্যালয় খনৰ উপাধক্ষ ফৰিদ উদ্দীন আহমেদে। সহযোগ কৰে জ্যেষ্ঠ শিক্ষক নজৰুল ইছলামে। পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীয়ে মৈৰাবাৰী এলেকাৰ বিভিন্ন অঞ্চলেৰে এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই বিদ্যালয় খনত উপস্থিত হৈ ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ চিনাকি পৰ্ব্ব অনুষ্ঠানৰ শুভাৰম্ভ কৰে। চিনাকি পৰ্বৰ অন্তত মুকলি সভা অনুষ্ঠিত কৰা হয়। শংকৰ আজান চিনিয়ৰ চেকেণ্ডেৰী স্কুল প্ৰাঙ্গনত অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰিয়াজুল হক। আনহাতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বৰথল দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল কুদ্দুচ ,মৈৰাবাৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° ময়দুল ইছলামকে আদি কৰি মৈৰাবাৰী প্ৰেছ ক্লাবৰ সাংবাদিক ও অন্যান্য গণ্য-মান্য লোক সকল।আনহাতে দ্বিতীয় দিনা অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীত, নৃত্য, নাটক আদি পৰিবেশন কৰি অনুষ্ঠানৰ ইতি পৰে।



**কৰিমগঞ্জৰ ভাৰত-বাংলাদেশ সীমান্তত ৯ বাংলাদেশীক আটক**




## ১৯ৰ পৰা ২৪নৱেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন

# চৰাইদেউৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰত বিশ্ব ঐতিহ্য সপ্তাহৰ উদ্বোধনী অনুষ্ঠান

**ই-সংবাদ, সোণাৰি, ১৯ নৱেম্বৰঃ** অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ অন্তৰ্গত অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ দ্বাৰা স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতি, চৰাইদেউৰ সহযোগত 'বিশ্ব ঐতিহ্য সপ্তাহ" আজিৰেপৰা অবা ২৫ নৱেম্বৰলৈকে চৰাইদেউ মৈদাম বিশ্ব ঐতিহ্য ক্ষেত্ৰত উদযাপন কৰা হ'ব। এই উপলক্ষে অহা আজি 'বিশ্ব ঐতিহ্য সপ্তাহ'ৰ উদ্বোধনী অনুষ্ঠান আয়োজন কৰা হয়। সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে মুখ্য অতিথিৰ আসন অলংকৃত কৰা বিশ্ব ঐতিহ্য সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে অসম বাজ্যিক পৰ্যটন বিকাশ নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচি মহন্ত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ সঞ্চালিকা ড° দীপিৰেখা কুলিয়ে আহোম ৰাজত্বকালৰ গৌৰৱময় ঐতিহ্য বহনকাৰী চৰাইদেউ মৈদাম ক্ষেত্ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হোৱাৰ পাছত চৰাইদেউ মৈদাম পৰিদৰ্শন কৰিবলৈ পূৰ্বৰ তুলনাত এইবাৰ অধিক পৰ্যটকৰ আগমণ ঘটিছে বুলি মন্তব্য আগবঢ়ায়। আনহাতে নিৰ্দিষ্ট বক্তা ড° সব্যসাচী মহন্তই বিশ্ব ঐতিহ্য ক্ষেত্ৰ স্বীকৃতি লাভ কৰা চৰাইদেউ মৈদাম ক্ষেত্ৰৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ ৰাইজৰ বাবে এতিয়া যথেষ্ট সম্ভাৱনাই গা কৰি উঠিছে বুলি মন্তব্য কৰি আগন্তুক দিনত যথেষ্ট সংখ্যক যুৱক-যুৱতীয়ে এই ক্ষেত্ৰত স্বনিয়োজনৰ সন্ধান পাব বুলিও কয়।

আনহাতে পৰ্যটন বিকাশ নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই স্থানীয় ৰাইজৰ সহযোগিতা অবিহনে অঞ্চলটোত পৰ্যটন কেন্দ্ৰ গঢ়ি তোলা টো কঠিন হ'ব, গতিকে এক সুস্থ পৰ্যটনৰ পৰিৱেশ গঢ়ি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। প্ৰত্নতত্ব সঞ্চালকালয়ৰ উপ সঞ্চালক ড° নৱজিৎ দেউৰীয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোৰ মুখ্য অতিথি সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে চৰাইদেউ মৈদাম ক্ষেত্ৰৰ আন্তঃগাৰ্থনি উন্নয়নৰ বাবে চৰকাৰ সদায় প্ৰস্তুত থকা বুলি মন্তব্য কৰা লগতে চৰকাৰৰ সদিচ্ছা থকা বাবেই অসম প্ৰত্নতত্ত্ব সঞ্চালকালয় তথা বিশেষজ্ঞ ড° কেচি নোৰিয়েলৰ তত্বাৱধানত চৰাইদেউ মৈদাম ক্ষেত্ৰই বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি লাভ কৰা বুলি কয়। আগন্তুক দিনত চৰাইদেউ মৈদাম ক্ষেত্ৰলৈ কেনেদৰে দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰিব পাৰি আৰু পৰ্যটকসকলক কিদৰে সা-সুবিধা প্ৰদান কৰিব পাৰি এই সন্দৰ্ভত চৰকাৰে ইতিমধ্যে চিন্তা-চৰ্চা অব্যাহত ৰখা বুলিও মন্তব্য কৰে বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে। মন কৰিবলগীয়া যে আজিৰেপৰা আৰম্ভ হোৱা বিশ্ব ঐতিহ্য সপ্তাহৰ কাৰ্যসূচী অনুসৰি চৰাইদেউ মৈদাম ক্ষেত্ৰত চিত্ৰাংকণ, ৰচনা প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰাৰ লগতে হোজাই জিলাৰ ৰাজমোহন নাথ প্ৰত্নতাত্বিক উদ্যান আৰু কামৰূপ জিলাৰ কানাই বৰশী বোৱা প্ৰত্নতাত্বিক স্থানত ঐতিহ্য সংৰক্ষণৰ সজাগতা সভা অনুষ্ঠিত কৰা হ'ব। আনহাতে ২৫ নৱেম্বৰত চৰাইদেউ পৰ্যটন তথ্য কেন্দ্ৰত অনুষ্ঠিত হ'বলগীয়া ঐতিহ্য সপ্তাহৰ সামৰণি অনুষ্ঠানত মন্ত্ৰী নন্দিতা গাৰ্লোচা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

# জলসংকট দূৰ কৰাৰ দাবীৰে গুৱাহাটীত আপৰ প্ৰতিবাদ

**ই-সংবাদ, ১৯ নৱেম্বৰঃ** মহানগৰবাসীক বিশুদ্ধ খোৱাপানী যোগানৰ দাবীত আজি মহানগৰীৰ চানমাৰিত আম আদমী পাৰ্টিয়ে বিক্ষোভ প্ৰদৰ্শন কৰে। খোৱাপানীৰ সংকট চলি থকাৰ মাজতে গুৱাহাটী মহানগৰ খোৱাপানী আৰু পয়-প্ৰণালী ব'ৰ্ডে এক জাননীযোগে তিনিদিনৰ বাবে মহানগৰীৰ ২৮টা স্থানত পানী যোগান বন্ধ কৰিছে। কিন্তু তিনিদিন অতিক্ৰম হৈ যোৱা সত্বেও এতিয়ালৈকে বহু অঞ্চলত পানী যোগান দিব নোৱাৰাত আজি চানমাৰিত আপে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাজ্যিক উপ সভাপতি অনুৰূপা ডেকাৰজাই কয় যে মহানগৰীৰ উন্নয়নত বৰ্তমান চৰকাৰ ব্যৰ্থ হৈছে। নাগৰিকক বিশুদ্ধ খোৱা পানী দিয়াৰ প্ৰতিশ্ৰুতি চৰকাৰে পালন কৰিব পৰা নাই। নিম্ন মানৰ কাম কৰাৰ বাবে য'তে ত'তে পানীৰ পাইপ ফুটি কৃত্ৰিম বানৰ সৃষ্টি হৈছে। পানীৰ পাইপ ফুটি যোৱা বছৰ এগৰাকী মহিলাৰ মৃত্যুৰ পিছতো বিভাগীয় কৰ্তৃপক্ষৰ গা লৰা নাই। চৰকাৰৰ ব্যৰ্থতাৰ বাবে গুৱাহাটী উন্নয়ন দপ্তৰৰ মন্ত্ৰী অশোক সিংহলৰ পদত্যাগৰ দাবী কৰিছো। এনে অকৰ্মণ্য মন্ত্ৰীৰ ক্ষমতাত থকাৰ নৈতিক অধিকাৰ নাই। আপৰ যুৱ শক্তিৰ তত্বাৱধায়ক ৰুদ্ৰাংকুৰ হাজৰিকাই কয় যে গুৱাহাটীৰ উন্নয়নৰ নামত চৰকাৰে এখনৰ পিছত আন এখন উৰণ সেঁতু নিৰ্মাণত গুৰুত্ব প্ৰদান কৰিছে। কিন্তু সাধাৰণ মানুহৰ সমস্যা সমাধানত চৰকাৰে গুৰুত্ব দিয়া নাই। উৰণ সেঁতু নিৰ্মাণ কৰিবলৈ গৈ মহানগৰীৰ পাৰিপাৰ্শ্বিকতা বিনষ্ট কৰিছে। গুৱাহাটীবাসীৰ দৈনন্দিন জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। আম আদমী পাৰ্টিয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক বাস্তৱ দৃষ্টি ভংগীৰে গুৱাহাটীবাসীৰ সমস্যা সমাধান কৰিবলৈ আহ্বান জনাইছো।

# ৰঙিয়া জংচনত অমৃত ভাৰত ষ্টেচনৰ নামত ব্যপক অনিয়মৰ অভিযোগ

**ই-সংবাদ, ৰঙিয়া, ১৯ নৱেম্বৰঃ** ৰঙিয়া ৰেল সংমণ্ডলৰ অধিনস্থ বিভিন্ন কাম কাজত স্থানীয় ৰাইজৰ সমস্যাক পিঠি দি ব্যাপক অনিয়মৰে অমৃত ভাৰত ষ্টেচনৰ নামত আধুনিকীকৰণৰ কাম আৰু দ্বৈত লাইনৰ নামত আভুৱা ভৰা কাৰ্য্যৰ তীব্ৰ প্ৰতিবাদ জনাই ৰঙিয়াৰ চাৰিটাকৈ সংগঠনৰ নেতৃবৰ্গ তথা শতাধিক ৰাইজৰ উপস্থিতিত আজি প্ৰতিবাদী সভা অনুষ্ঠিত কৰা হয় । কেন্দ্ৰীয় চৰকাৰৰ অভিলাষী আঁচনি অমৃত ভাৰত ষ্টেচন নিৰ্মানৰ নামত আসোৱাহপূৰ্ণ কাম কাজৰ বিৰুদ্ধে ৰঙিয়া নাগৰিক মঞ্চ, ৰেল যাত্ৰী সন্থা, ৰঙিয়া ষ্টেচন মাৰ্কেট ব্যৱসায়ী সন্থা আৰু ৰঙিয়া ষ্টেচন নাগৰিক সমিতি তথা স্থানীয় ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে । অমৃত ভাৰত ষ্টেচন নিৰ্মাণৰ নামত জধে মধে কাম নকৰি সু-পৰিকল্পিতভাৱে সাধাৰণ যাত্ৰী আৰু ৰাইজৰ সুবিধাৰ বাবে কাম কৰিবলৈ আহ্বান জনাই প্ৰতিনিধিবৰ্গই । জংচনটোত বিশুদ্ধ খোৱাপানীৰ যোগানৰ পৰ্যাপ্ত ব্যৱস্থা কৰা, নিৰ্মীয়মাণ উৰণসেতু (এফ অ' বি) খন জংচনৰ ইমুৰ-সীমুৰ পাৰ হ'ব পৰাকৈ নিৰ্মাণ কৰিবলৈ, সেতুখনৰ মুল প্ৰৱেশদ্বাৰ এক নম্বৰ প্লেটফৰ্মৰ ফালে ৰখা, যাত্ৰী আৰু সাধাৰণ নাগৰিক তথা জ্যেষ্ঠ নাগৰিক, শিশু, দিব্যাংগসকলৰ সুবিধাৰ বাবে ৰেম্প আৰু বৈদ্যুতিকভাৱে চলন্ত চিৰিৰ ব্যৱস্থা কৰা, জংচনটোৰ প্ৰস্তাৱিত ৬ আৰু ৭ নম্বৰ প্লেটফৰ্মলৈকে উৰণসেতুখনৰ সম্প্ৰসাৰণ, পুৰণি উৰণসেতু নভঙাকৈ নক্সা সংশোধনৰ জৰিয়তে ৰাইজৰ সুবিধাক্ষম কৰা, জংচনটোৰ বহন ক্ষমতা বৃদ্ধি কৰা, প্লেটফৰ্মৰ সংখ্যা নটালৈ বৃদ্ধি কৰা, জংচনটোৰ দাঁতিকাষৰীয়া ঠাইবোৰৰ উন্নয়নৰ বাবে ব্যৱস্থা হাতত লোৱা, এক নম্বৰ প্লেটফৰ্মৰ উপৰি বাকীকেইটা প্লেটফৰ্মতো উন্নতমানৰ শৌচাগাৰ, প্ৰসাৰগাৰ আদি নিৰ্মাণ কৰা, জিৰণিগৃহৰ উন্নীতকৰণ, ৰেলগাড়ীৰ তথ্য জনাৰ বাবে উন্নতমানৰ বৈদ্যুতিক ফলকৰ ব্যৱস্থা কৰা, ৰাইজৰ বজাৰ সমাৰ কৰিব পৰাকৈ উপযুক্ত ঠাইত এখন স্বাস্থ্যসন্মত বজাৰৰ ব্যৱস্থা কৰাৰ বাবে ৰাইজে দাবী উত্থাপন কৰে । অসম ৰেল যাত্ৰী সন্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মা তথা ৰঙিয়া নাগৰিক মঞ্চৰ সভাপতি তথা প্ৰাক্তন অনন্ত ডেকাৰ নেতৃত্বত ৰঙিয়া ৰেলযাত্ৰী সন্থাৰ সভাপতি হৰি কয়েল, ৰঙিয়া ষ্টেচন নাগৰিক সমিতিৰ সম্পাদক ৰঞ্জন উপাধ্যায়, ষ্টেচন মাৰ্কেট ব্যৱসায়ী সন্থাৰ সভাপতি আতিকুৰ ৰহমান, সমাজসেৱক কৰুণাকান্ত শৰ্মা, খনিন কলিতা, অধিবক্তা চৈয়দ মোস্তাফা আহমেদ প্ৰমুখ্যে বহুকেইজন সমাজ সংগঠকৰে গঠিত প্ৰতিনিধিৰ দলটোৱে উন্নয়নৰ নামত অনিয়ম সংঘটিত নকৰাৰ বাবে আহ্বান জনায়। অন্যথা ৰেল বিভাগৰ ৰঙিয়া সংমণ্ডল বিভাগ বৃহৎ গণতান্ত্ৰিক আন্দোলনৰ সন্মুখীন হ'ব লাগিব বুলি জনাই প্ৰতিনিধিসকলে ।



**ৰঙানদী বিধান সভা সমষ্টিৰ অন্তৰ্গত ৰাজীৱ ভৱনত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা**

# খাৰুপেটীয়া আজমল ছিনিয়ৰ চেকেণ্ডেৰী স্কুলত আয়োজিত সমন্বয় সভা

**ই -সংবাদ, খাৰুপেটীয়া ১৯ নৱেম্বৰঃ** ডাক্তৰ, ইঞ্জিনিয়াৰ, ডাঙৰ অফিচাৰ হোৱাৰ পুৰ্বে নিজৰ সন্তানক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিয়ক । বাইক, মোবাইল ফোন, অজস্ৰ টকা নিজৰ সন্তানক আগতেই নিদিব- পিতৃ মাতৃ , অভিভাৱক সকলক এই আহ্বান দৰং জিলাৰ এটি শিক্ষাৰ ক্ষেত্ৰত আগশাৰীৰ এটি শিক্ষানুষ্ঠানৰ অধ্যক্ষৰ । আজি দৰং জিলাৰ বুঢ়ীগাৰতসি্হত খাৰুপেটীয়া আজমল চিনিয়ৰ চেকেণ্ডেৰী স্কুলত আয়োজিত শিক্ষক - অভিভাৱক সমন্বয় সভাত দুই শতাধিক পিতৃ মাতৃৰ উপস্থিতিত স্কুল খনৰ অধ্যক্ষ গৰাকীয়ে প্ৰজেক্টৰৰ জৰিয়তে নিজৰ সন্তানক মানৱ সম্পদ কেনেকৈ গঢ়িব পাৰি , কেনেকৈ দৰিদ্ৰতাৰ সন্মুখীন হৈও ডাঙৰ মানুহ হব পাৰি , নিজৰ সন্তানৰ প্ৰতি পিতৃ মাতৃৰ দৈনিক পৰ্যাপ্ত সময় দি পঢ়া শুনাৰ ক্ষেত্ৰত কেনেকৈ সহযোগ কৰিব লাগে তাৰ ওপৰত বাস্তৱধৰ্মী উদাহৰণেৰে আলোকপাত কৰি বক্তব্য প্ৰদান কৰে । সমন্বয় সভাত অধ্যক্ষজনে আগবঢ়োৱা অনুপ্ৰেৰণা মূলক ভাষণত উপস্থিত অভিভাৱকৰ আৱেগিক হৈ পৰে । শিক্ষাৰ ক্ষেত্ৰত সদায় ব্যতিক্ৰমী শিক্ষামূলক কাৰ্যসূচীৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা শিক্ষানুষ্ঠানটোত আজি ছাত্ৰসকলৰ লগতে পিতৃ মাতৃ আৰু শিক্ষক শিক্ষয়িত্ৰী সকলেও পঢ়া-শুনাৰ অগ্ৰগতি সম্পৰ্কে আলোচনাত মিলিত হয়। সভাত অতিথি অতিথি হিচাপে উপস্থিত থাকে শিক্ষক তথা অভিভাৱক মাজহাৰ আলী , জ্যেষ্ঠ সাংবাদিক ইমদাদুল ইছলাম । ইয়াৰ পুৰ্বে সভাত দুই শতাধিক অভিভাৱকৰ মাজত বিদ্যালয় কৰ্তৃপক্ষই নিজৰ নিজৰ সন্তানৰ বাবে হৰলিক্স বিতৰণ কৰে ।

# পূব উলুবাৰী প্ৰাথমিক বিদ্যালয়ত ঋতুকালীন আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**ই সংবাদ, মৈৰাবাৰী, ১৯ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট শিক্ষা খণ্ডৰ অধীনস্থ ঋতুকালীন আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰটি সোমবাৰে ব্লক মিছন সমন্বয়ক বাহাৰুল ইছলামে মণ্ডল সমল ব্যক্তি আৰু জিলা মান ৰক্ষকৰ লগতে চৰ-চাপৰি তথা গৰাখহনীয়াগ্ৰস্ত অঞ্চলৰ প্ৰৱাসী পৰিয়ালৰ ছাত্ৰসকলৰ উপস্থিতিত পূব উলুবাৰী প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত আনুষ্ঠানিকভাৱে মুকলি কৰে। উলুবাৰী, মদাৰগুৰি, বৰচাপৰি, সোণাৰীগাঁও, গৰৈমাৰী, দলৈগাঁও, শ'লমাৰী আদি গৰাখহনীয়াগ্ৰস্ত চৰ-চাপৰি অঞ্চলৰ ল'ৰা শিশুসকলৰ পাঠদানৰ প্ৰতি লক্ষ্য ৰাখি আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰটি খোলা হয়। উক্ত মুকলি অনুষ্ঠানত অঞ্চলটোৰ ল'ৰা শিশু আৰু অভিভাৱককে ধৰি শতাধিক লোক উপস্থিত থাকে।

# ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আছু গোট গঠন

**ই-সংবাদ, ডুমডুমা, ১৯ নৱেম্বৰ:** ১৯৬৯ চনতে স্থাপিত বৃহত্তৰ ছৈখোৱা অঞ্চলৰ একমাত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় " ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়খনত বহুতো গণ্য-মান্য ব্যক্তিয়ে অধ্যয়ন কৰি বিদ্যালয়খনৰ মাদকতা আগুৱাই নিছে। বৰ্তমান বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ, সুস্থ বাতাবৰণ, উন্নত আন্তঃগাঁথনি, ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাৰে সন্মানিত বিদ্যালয়খনৰ অধ্যক্ষাৰ লগতে অন্যান্য শিক্ষকসকলৰ আন্তৰিক প্ৰচেষ্টাত জিলাখনৰ ভিতৰতে বিদ্যালয়খন এখন লেখত ল'বলগীয়া বিদ্যালয়লৈ পৰ্যবসিত হৈছে । আজি ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আছু গোট গঠন কৰা হ'য়। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত সভাপতিত্ব কৰে ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অনুপজ্যোতি দুৱৰাই। সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় সাধাৰণ সম্পাদক অভিনন্দন কলিতাই । অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থকাৰ লগতে সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দীক্ষিত বেজবৰুৱা,সহ: সাধাৰণ সম্পাদক হেমচন্দ্ৰ চেলেং, সাংগঠনিক সম্পাদক সুৰেশ বৰগোহাঁইয়ে ছাত্ৰ সন্থাৰ দৃষ্টিভংগীৰ ওপৰত দুআষাৰ মন্তব্য আগবঢ়ায়। অভিনাশ দাসক সভাপতি, দুৰান্ত সোণোৱালক সম্পাদক হিচাপে লৈ ৪৪ জনীয়া ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আছু গোটটি গঠন কৰা অনুষ্ঠানত ছৈখোৱা আঞ্চলিক ছাত্ৰ সন্থাৰ কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।

## মুখ্যমন্ত্ৰীক কটাক্ষ কংগ্ৰেছ নেতা, সাংসদ ৰকিবুল হুছেইনৰ

# মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দিনত মানুহৰ মূল্য কমিছে, বাঢ়িছে দুৰ্নীতি ছিণ্ডিকেটৰ মূল্য!

**ই-সংবাদ, সৃজনগ্ৰাম, ১৯ নৱেম্বৰঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বধীন চৰকাৰৰ ৰাজত্বকালত মানুহৰ মূল্য কমিছে, ছিণ্ডিকেট-দুৰ্নীতিৰ মূল্য বেছিকৈ বাঢ়িছে। এইবিলাক বেছিদিন নচলে, যেতিয়া চাকি নুমাবৰ হয় চাকি বেছিকৈ জ্বলে। ২৬ৰ আগতে নুমাব, এইকেইদিন ৰাইজে চকুকান বন্ধ কৰি থাকিব, তাৰ পিছত ৰাইজে স্বস্তিৰ নিশ্বাস লব। মন্ত্ৰী ৰনজিৎ কুমাৰ দাসৰ কনভয়ৰ আৰক্ষীয়ে সাধাৰণ দুজন পথচাৰীক মাৰপিট কৰা সম্পৰ্কে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে এইদৰে মন্তব্য কৰে।আনকি মনিপুৰৰ ঘটনাক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কটাক্ষ কৰি কয় যে নেডাৰ কিবা হোৱাৰ পিছত উত্তৰ পূৰ্বাঞ্চলৰ অস্হিৰ হৈ পৰিছে। অনিয়মেই নিয়ম, মুখ্যমন্ত্ৰীয়ে যি পুলিছ ব্যৱহাৰ কৰিছে, সেই পুলিছে ২৬ৰ পিছত মূখ্যমন্ত্ৰীক জেলত দিব। আনকি সাংসদ উন্নয়ন পুজিৰ ধনৰ কাম ৰাইজক দেখুৱাই কৰিব বুলি কয়। আৰেলি সাংসদ ৰকিবুল হুছেইনে সাংবাদিকৰ আগত এইদৰে মন্তব্য কৰে। বিটিএম এনজিঅৰ সভাপতি মেৰাজুল হকৰ পৌৰহিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত উপস্থিত হৈ সাংসদ ৰকিবুল হুছেইনে ভাষন প্ৰদান কৰে। লগতে উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰ,সৃজনগ্ৰাম ব্লক কংগ্ৰেছৰ সভাপতি ছেকান্দাৰ প্ৰধানী,বৰপেটাৰ বিধায়ক আব্দুৰ ৰহিম উপস্থিত থাকে ।ছাত্ৰ ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, চিত্ৰাংকন প্ৰতিযোগিতা আৰু খেলধেমালি তিনিদিনীয়াকৈ অনুষ্ঠিত হয় বুলি জানিব পৰা গৈছে। আনহাতে উত্তৰ অভয়াপুৰী সমষ্টি যুৱ কংগ্ৰেছৰ সভাপতি আব্দুল হাইৰ উদ্যোগত সাংসদজনক কীৰ্ত্তনপাৰাত উষ্ম আদৰণি জনোৱা হয়।



বশিষ্ঠস্থিত বিজেপিৰ কাৰ্যালয়ত উপ নিৰ্বাচনৰ ৫সমষ্টিক লৈ পৰ্যলোচনা সভা, ফটো মঙলবাৰৰ

# ৯১সংখ্যক নলবাৰী ৰাস মহোৎসৱত অসম কবি সন্মিলনৰ স্বৰ্ণ শাখাৰ বিশেষ অনুষ্ঠান

**ই-সংবাদ, নলবাৰী, ১৯ নৱেম্বৰঃ** নলবাৰীৰ শ্ৰীশ্ৰীহৰি মন্দিৰ প্ৰাংগনত ৯১ তম ৰাস মহোৎসৱৰ উপলক্ষে কালি অসম কবি সন্মিলনৰ নলবাৰী সদৰ স্বৰ্ণ শাখাৰ উদ্যোগত কাব্যগ্ৰন্থ উন্মোচন, কবিতা পাঠ আৰু গীত-মাতেৰে এটি ব্যতিক্ৰম অনুষ্ঠান অনুষ্ঠিত হৈ যায় । দুপৰীয়া ১২ বজাত মুখ্য উদ্যোক্তা অসম কবি সন্মিলনৰ নলবাৰী সদৰ স্বৰ্ণ শাখা তথা কেন্দ্ৰীয় কাব্য সংকলনৰ সম্পাদিকা অঞ্জলি দত্তৰ সামগ্ৰিক পৰিকল্পনা আৰু সম্পাদনাৰে ৯১ তম নলবাৰী ৰাস মহোৎসৱৰ মূল মঞ্চত অনুষ্ঠিত হৈ যোৱা উক্ত অনুষ্ঠানটিত উদ্বোধক হিচাপে উপস্থিত থাকে সমাজসেৱী নয়ন কুমাৰ দত্ত । অনুষ্ঠানৰ আৰম্ভণিতে স্বৰ্ণ শাখাটোৰ কণ্ঠশিল্পীয়ে এটি সমবেত সংগীত পৰিবেশন কৰে । দুগৰাকী লেখক ক্ৰমে পদ্ম ৰাজবংশী আৰু জ্যোতিষ চন্দ্ৰ মহন্তৰ দুখনকৈ গ্ৰন্থ উন্মোচন কৰে হাউলি ডায়েট কলেজৰ অৱসৰপ্ৰাপ্ত শিক্ষক ৰঞ্জিত কুমাৰ কলিতা আৰু জ্যেষ্ঠ কবি কমলকুমাৰ জৈনে । সাংস্কৃতিক সম্পাদিকা আইমণি গোস্বামী শৰ্মাই আঁতধৰা অনুষ্ঠানটি সঞ্চালনা কৰে ডঃ উপমা বৰ্মন ডেকাই আৰু সভাপতিৰ আসন অলংকৃত কৰে পাৰুল দেৱী গোস্বামীয়ে । আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান, সাহিত্যনুৰাগী ৰূপক বৈশ্যই সাৰুৱা তথা ৰসাল বক্তব্যৰে সকলোকে মোহিত কৰাৰ লগতে এটি কবিতা পাঠ কৰি দৰ্শক শ্ৰোতাক আমোদ জগায় । ভাষণত বৈশ্যই প্ৰচাৰে প্ৰসাৰতা আনে আৰু আজিৰ তাৰিখত নিজৰ ঢোল নিজেই বজাবই লাগিব বুলি উল্লেখ কৰি কেঁকোৱা প্ৰবৃত্তি এৰিবলৈ সকলোকে অনুৰোধ জনায় । আন এগৰাকী আমন্ত্ৰিত অতিথি মৃনালজ্যোতি শৰ্মাই এটি স্বৰচিত কবিতা পাঠ কৰাৰ লগতে কণমানি ছাত্ৰী হৃদি বৈশ্য ৰিমে এটি শিশু কবিতা আবৃত্তিৰে অনুষ্ঠানটি মনোগ্ৰাহী কৰি তোলে । উল্লেখ্য যে উক্ত অনুষ্ঠানযোগে যোৰহাট, গুৱাহাটী, বৰপেটা আৰু নলবাৰী জিলাৰ অৰ্ধশতাধিক কবিৰ কবিতা আৰু গায়ক-গায়িকাৰ গীতেৰে মুখৰিত হৈ পৰে শ্ৰীশ্ৰীহৰিমন্দিৰ প্ৰাংগন । সামগ্ৰিক পৰ্যালোচনা আগবঢ়ায় অসম কবি সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা দীনেশ দাসে ।

# গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ বাক্সা জিলা সমিতি গঠন

**ই সংবাদ, মুছলপুৰ, ১৯ নৱেম্বৰ:** বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী ভেঁহবাৰীত কালি সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ প্ৰতিনিধি সভা অনুষ্ঠিত হৈ যায় । ভেঁহবাৰীৰ বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক মুকুট আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি চহিদ আলী আহমেদ, সহকাৰী সাধাৰণ সম্পাদক তথা বিটিআৰ সমন্বয়ৰক্ষী সমিতিৰ সাধাৰণ সম্পাদক জালালুদ্দিন আহমেদৰ উপস্থিতিত ছিদ্দিক আলীক সভাপতি, আব্দুল হামিদক কাৰ্যকৰী সভাপতি আৰু চৰিফুল আলীক সাধাৰণ সম্পাদক হিচাপে লৈ ৪১ জনীয়া বাক্সা জিলা সমিতিখন গঠন কৰা হয় । সভাত উপস্থিত থাকি কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি চহিদ আলী আহমেদে সংগঠনৰ লক্ষ্য, উদ্দেশ্য, সাম্প্ৰতিক পৰিস্থিতিত ভূমিকা সন্দৰ্ভত বিষদভাৱে বক্তব্য প্ৰদান কৰে । ইফালে কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক তথা বিটিআৰ সমন্বয় ৰক্ষী সমিতিৰ সাধাৰণ সম্পাদক জালালুদ্দিন আহমেদে চৰকাৰে শেহতীয়াকৈ ঘোষণা কৰা ইছলামধৰ্মী গৰিয়া-মৰিয়া-দেশী লোক সকলৰ জৰীপ সন্দৰ্ভত আক্ষেপ প্ৰকাশ কৰি চৰকাৰক অতি ক্ষীপ্ৰে চৰকাৰী ভাৱে আৰ্থসামাজিক জৰীপ কৰি চিনাক্ত কৰিবলৈ সভাৰ পৰাই আহ্বান জনায়। উল্লেখ্য যে বাক্সা জিলা সমিতিৰ কালি অনুষ্ঠিত প্ৰতিনিধি সভাত গুৱাহাটী মহানগৰ জিলা সমিতিৰ উপ-সভাপতি মইনুল আলী, নলবাৰী জিলা সমিতিৰ সভাপতি আফতাব আলী, দক্ষিণ কামৰূপ জিলা সমিতিৰ সভাপতি ৰৌচান আলী, বাক্সা জিলাৰ অন্তৰ্গত গোবৰ্ধনা আঞ্চলিক সমিতি, বৰমা আঞ্চলিক সমিতি, দীঘলদঙা আঞ্চলিক সমিতি, বাস্কা আঞ্চলিক সমিতি, কালজাৰ আঞ্চলিক সমিতিৰ বিষয়ববীয়াৰ উপৰিও প্ৰায় দুই শতাধিক লোক উপস্থিত আছিল ।



আৰ্জেন্টিনাৰ ৰাষ্ট্ৰপতিৰ সৈতে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

## অসামৰিক প্ৰতিৰক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত উপ-নিয়ন্ত্ৰকৰ অংশগ্ৰহণ

# অসামৰিক প্ৰতিৰক্ষা বিভাগৰ দুৰ্যোগ প্ৰশমন সম্পৰ্কীয় প্ৰশিক্ষণ

**ই-সংবাদ ডুমডুমা, ১৯ নৱেম্বৰ:** অসামৰিক প্ৰতিৰক্ষা বিভাগ, তিনিচুকীয়াৰ উদ্যোগত বৰদলৈ নগৰ উন্নয়ন মহিলা সমিতিৰ সৌজন্যত বৰদলৈ নগৰত দুৰ্যোগ প্ৰশমনৰ সন্দৰ্ভত ১১ নৱেম্বৰৰ পৰা ১৯ নৱেম্বৰলৈকে এক প্ৰশিক্ষণ অনুষ্ঠিত হৈ যায়। প্ৰশিক্ষণত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত উপ-নিয়ন্ত্ৰক ৰূপান্ত সোণোৱাল, প্ৰশিক্ষক মানৱজ্যোতি পাংগিং, ভৃগুৰাজ সিনহা আৰু অগ্নিনিৰ্বাপক বাহিনী, তিনিচুকীয়াৰ বিষয়া পৰিদৰ্শক সুৰুজ খনিকৰে প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণৰ অন্তত আজি বৰদলৈ নগৰৰ ক্ৰমে ববী হাজৰিকা, চন্দনা ফুকন, উৎপলা বৰা, ইলো সোণোৱাল বৰুৱা, জিনা সোণোৱাল, জিনু বৰগোঁহাই, মৌচুমী চক্ৰৱৰ্তী, মৰমী বৰবৰা, মৌচুমী ভৰালী, শিখা বৰদলৈ, সুবৰ্ণ বৰুৱা, নিনা বৰুৱা, চন্দ্ৰমা বৰা, সুৰঞ্জনা বৰুৱা, হাছনাহানা শইকীয়া, চন্দনা বৰা, লিনু চক্ৰৱৰ্তী, ৰুণু বৰুৱা বৰঠাকুৰক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ মুখ্য প্ৰতিপালক ড° ৰাজীৱ বৰদলৈ, উপ-মুখ্য প্ৰতিপালক তথা তিনিচুকীয়াৰ বিশিষ্ট লেখক-কবি, সাংবাদিক মনোৰঞ্জন মৰাণ, ভাৰপ্ৰাপ্ত উপ-নিয়ন্ত্ৰক ৰূপান্ত সোণোৱাল, অগ্নিনিৰ্বাপক বাহিনী, তিনিচুকীয়াৰ বিষয়া-পৰিদৰ্শক সুৰুজ খনিকৰ, বৰদলৈ নগৰ উন্নয়ন মহিলা সমিতিৰ নেত্ৰী লিনু চক্ৰৱৰ্তী, ৰুণু বৰুৱা বৰঠাকুৰ আদি উপস্থিত আছিল।

# ড্ৰাগছসহ কচুৱাত আটক হানিফাক



**ই সংবাদ, কামপুৰ, ১৯ নবেম্বৰঃ** আজি ৰাতিপুৱা কচুৱা আৰক্ষীয়ে এক অভিযান চলাই কচুৱাৰ বিৰিঙাআটি গাঁৱৰ পৰা আবু হানিফা নামৰ এটা ড্ৰাগছ সৰবৰাহকাৰীক ড্ৰাগছ সহ গ্ৰেপ্তাৰ কৰে । ধৃত আবু হানিফাৰ লগত মজুত কৰি ৰখা ১১.৭১ গ্ৰাম ড্ৰাগছ জব্দ কৰাৰ লগতে AS02AF8171 নম্বৰৰ এখন মটৰ চাইকেলো জব্দ কৰে আৰক্ষীয়ে। ধৃত আবু হানিফাৰ ঘৰ কচুৱাৰ সাতলুঙাত বুলি জানিব পৰা গৈছে । উক্ত লোকজনে বহুদিনৰ পৰাই গুপনভাৱে এনে অবৈধ ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় কৰি আহিছিল ।

# ঝাপুচাবাৰীত ৬টাকৈ চোৰাং গৰু জব্দ, বাকী ৪টা গৰু লৈ পলাল সৰবৰাহকাৰী

**ই-সংবাদ, গোলকগঞ্জ, ১৮ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত অসম পশ্চিমবংগ তথা বাংলাদেশ ত্ৰিসীমান্তত অৱস্থিত ঝাপুচাবাৰী চতুৰ্থ খণ্ড গাঁৱত যোৱা নিশা আঠ বজাত আৰক্ষীয়ে ছয়টাকৈ চোৰাং গৰু জব্দ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, অঞ্চলটো চোৰাং গৰু চালানৰ ঘাটিত পৰিণত হৈছে। পশ্চিমবংগৰ আমবাৰী ৰে চোৰাং গৰু অসমৰ বৃহত্তৰ ঝাপুচাবাৰী গাঁৱৰ বিভিন্ন স্থানেৰে অসমত প্ৰৱেশ কৰে। পশ্চিমবংগৰ বালাভূতত থকা বিএছএফৰ কঠোৰ নিৰাপত্তা বেষ্ঠনীক ফাকি দিয়াৰ উদ্দেশ্যে অসমত প্ৰৱেশ কৰে। চোৰাং গৰু সমূহ খোজকঢ়াই আনি গাঁও খনৰ শেষ প্ৰান্তত অৱস্থিত গোড় ঝাপুচাবাৰী আৰক্ষী নিৰীক্ষণ চকীৰ কাষেৰে পুনৰ পশ্চিমবংগৰ ঝাউকুঠীৰ বিভিন্ন অঞ্চল হৈ কালজানী নদী পথেৰে বাংলাদেশ লৈ চালান দিয়ে। নিশাৰ ভাগত জাক জাক চোৰাং গৰু নিৰীক্ষণ চকীটোৰ কাষেৰে নিতৌ বাংলাদেশ লৈ চালান দিয়া হয় যদিও চকু মুদা কুলিৰ ভাও ধৰি বহি থাকে নিৰীক্ষণ চকীৰ আৰক্ষী। কালি নিশা গোপন খবৰৰ ভিত্তিত আগমনি থানাৰ আৰক্ষীয়ে স্থানীয় গাঁওৰক্ষী বাহিনীৰ সহযোগত অতৰ্কিতে অভিযান চলাই ছয়টা চোৰাং গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ উপস্থিতিৰ উমান পাই সৰবৰাহকাৰী পলায়ন কৰে। গাঁওৰক্ষী বাহিনী আকৌ চাৰিটা চোৰাং গৰু আটক কৰে যদিও চোৰাং বেপাৰীৰ দলে চোকা অস্ত্ৰৰে সুসজ্জিত হৈ আহি ভয় ভাবুকি দি কাঢ়ি লৈ যায়। গাঁও খনৰ জাফৰ হুছেইনৰ পুত্ৰ আবু তাহেৰ, কাষৰীয়া ৰাজ্য পশ্চিমবঙ্গৰ ঝাউকুঠী গাঁৱৰ আবেদ মণ্ডল, মফিজুল হক, আৰু ছাইদুল হকে গৰু কাঢ়ি নিয়াৰ লগতে হত্যা কৰাৰো সকীয়নি দিয়ে। আজি এই সন্দৰ্ভত আইজুল হকে পাঁচো জনৰ বিৰুদ্ধে আগমনি থানাত এখন এজাহাৰ দাখিল কৰে।

# কঠীয়াতলীত তিৱা ছাত্ৰ সন্থাৰ বন্ধ পালন

**ই সংবাদ, কামপুৰ, ১৯ নৱেম্বৰঃ** আজি পুৱা পাঁচ বজাৰ পৰা তিৱা ছাত্ৰ সন্থাৰ লগতে তিৱা জনগোষ্ঠীৰ পাঁচটাকৈ সংগঠনে বিভিন্ন সমস্যা সমাধানৰ দাবীত আহ্বান জনোৱা মধ্য অসম বন্ধ কঠীয়াতলীত সৰ্বাত্মক আছিল । বন্ধৰ সময়ছোৱাত কঠীয়াতলী অঞ্চলত দোকান-পোহাৰ, যান-বাহনৰ চলাচল বন্ধ হৈ পৰে। বন্ধৰ সমৰ্থক সকলে কামপুৰ-কঠীয়াতলী ৰাজপথত টায়াৰ জ্বলাই পথ বন্ধৰ প্ৰচেষ্টা চলোৱাৰ লগতে কেবাখনো গাড়ীলৈ শিলগুটি নিক্ষেপ কৰি ক্ষতি সাধন কৰে। ইপিনে বন্ধৰ সময়ছোৱাত অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি নহবলৈ ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথত আৰক্ষী আৰু অৰ্ধ-সামৰিক বাহিনী মোতায়েন কৰা হয়। উল্লেখ্য যে, তিৱা স্বায়ত্ব পৰিষদক সাংবিধানিক মৰ্যাদা প্ৰদানকে ধৰি জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে কেইবাটাও দাবী তুলি এই বন্ধৰ আহ্বান কৰা হৈছিল । ইফালে যোৱা কালি বন্ধ উঠাই লোৱা বুলি একাংশ বিজেপিৰ পৃষ্ঠপোষকতাত লোকে সংবাদমেল দিয়া কাৰ্যক তীব্ৰ সমালোচনা কৰি সাৰধান কৰি দিলে বন্ধ সমৰ্থকে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# ধেমাজিত বনকৰা শিশুক নির্যাতন

ধেমাজিবাসীক। জানিব পৰা মতে, ধেমাজিৰ পেগুপথাৰ এলেকাত পুখুৰী এটাৰ বহি থকা অৱস্থাত এটি কন্যা শিশু উদ্ধাৰ হয়। এজন লোকে তিতি থকা অৱস্থাত কান্দি-কাতি হায়ৰাণ কন্যা শিশুটোক প্ৰত্যক্ষ কৰে। লোকজনে শিশুটোৰ কাষলৈ গৈ তোমাৰ কি হৈছে বুলি প্ৰশ্ন কৰিছিল। ভয়ত কম্পমান শিশুটোৱে জোৰ জোৰকৈ কান্দিবলৈ ধৰে। সিঁহতে মোক সদায়েই মাৰে। এতিয়া মোৰ সিঁহতে মাৰি পেলাব। মই ইয়াত আহি লুকাই আছো বুলি কয়। তকাৰ পিছতে শিশুটোক পথাৰৰ পৰা আনি নতুৱন কপোৰ পিন্ধাই, পেট ভৰাই খাবলৈ দি মানুহজনে। স্থানীয় লোকজনে কন্যাগৰাকীৰ উদ্ধাৰৰ কথা ফেচবুকত লিখি সহায় বিচাৰিলে। তাৰ পিছত ওলাল ওএৰহিৰ ওৰ। এহাল দম্পতিয়ে সন্তানটো তেওঁলোকৰ বুলি পৰিচয় দিয়াৰ লগতে ধেমাজিৰ পেগু পথাৰৰ ঘনকৃষ্ণ পেগুৰ ঘৰত বনকৰা হিচাপে কন্যাক ৰাখিছিল বুলি প্ৰকাশ কৰে। ধেমাজি জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰী ঘনকৃষ্ণ পেগু। সন্তানটোক ঘনকৃষ্ণ পেগুৰ পত্নীক গতাই দি আৰু তুলি লোৱা বুলি প্ৰকাশ কৰিছিল পত্নীয়ে। কিন্তু তুলি লৈ নিজ সন্তানৰ মৰ্য্যদা দিব খুজি কাম কৰিবলৈ দিছিল কন্যাগৰাকীক। ইমানে নহয় কন্যাগৰাকীক ঘনকৃষ্ণৰ ঘৰত অকথ্য নিৰ্যাতন চলোৱা হৈছিল। স্কুললৈ যাব নিদিছিল। নিৰ্যাতন সহিব নোৱাৰি পলাই গৈ পুখুৰীপাৰত বহি আছিল। এই খবৰ লাভ কৰে ধেমাজি জিলা শিশু কল্যাণ সমিতিয়ে। শিশু কল্যাণ সমিতিৰ লোক আহি শিশুটোক উদ্ধাৰ কাৰ্যালয়লৈ নিয়ে। কাৰ্যালয়ৰ পৰা পিতৃ-মাতৃ শিশুটোক নিজ ঘৰলৈ নিব খুজিছিল যদিও যাবলৈ সন্মত নহ'ল। ঘটনাক লৈ তদন্ত আৰম্ভ কৰিছে শিশু কল্যাণ সমিতিয়ে। ঘনকৃষ্ণৰ বিৰুদ্ধে গোচৰ তৰা হ'ব নে নাই, নে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰী হোৱাৰ সুবাদতে সাৰ যাব সেয়া সময়ে স্পষ্ট কৰিব।

■ ৬নং পৃষ্ঠাৰ পৰা...

# নিতুমনি শইকীয়াক বীৰ ৰাঘৱ মৰাণ

সংকল্পৰ প্ৰতীক আছিল। ৰাঘৱ মৰাণে উচিত সময়ত স্বেচ্ছাচাৰী শাসকৰ বিৰুদ্ধে এখন সফল সংগ্ৰামৰ সপোন দেখি, সাহসেৰে সংকল্প লৈ সফলতা অৰ্জন কৰিছিল। নিজৰ ভাষণত বিশিষ্ট সাংবাদিকগৰাকীয়ে বীৰ ৰাঘৱ মৰাণক গুণ-গৰীমাৰে ওপচাই পেলায়। অসমীয়া জাতিটোৰ মাজত থকা এনে ঐতিহাসিক বীৰ-বীৰাঙ্গনা বা চিৰস্মৰণীয় ব্যক্তি সত্তাক যদি বৃহত্তৰ অসমীয়া সমাজত পৰস্পৰৰ মাজত সমন্বিতভাৱে প্ৰতিষ্ঠা কৰাৰ এটা পৰিৱেশ সৃষ্টি হয়, তেন্তে অসমীয়া জাতিটো এটা শক্তিশালী অসমীয়া জাতি সত্তালৈ পৰিগণিত হ'ব বুলি তেওঁ দোহাৰে। অসম জাতীয়তবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাইৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত প্ৰদান কৰা এই বঁটাত আছে এটা স্মাৰক, ফুলাম জাপি, এখন মৰাণ দা, এটা পাগুৰি, এখন চেলেং চাদৰ আৰু এখন সম্বৰ্দ্ধনা পত্ৰ। অসম জাতীয়তবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সৌজন্যত, তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত, তালাপ-ডাঙৰী-ছেখোৱা আঞ্চলিক সমিতি আৰু দাইচাবাসী ৰাইজৰ সহযোগত চাহ নগৰী ডুমডুমাৰ সমীপৰ দাইচা ৰাজহুৱা খেলপথাৰ তথা বৰদলৈ নগৰ ৰাজহুৱা প্ৰেক্ষাগৃহ (বিহুতলী)ত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা ২৮৯ সংখ্যক বীৰ ৰাঘৱ মৰাণ দিৱসৰ আজিৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত ঐতিহাসিক মায়ামৰা টিপুক শিমলুগুৰি বজ্ৰপুৰ সত্ৰৰ সত্ৰাধিকাৰদেৱে ভকত-বৈষ্ণৱৰ উপস্থিতিত গায়ন-বায়ন আৰু মাংগলিক ৰীতি-নীতিৰে মঞ্চ-মণ্ডপৰ মুখ্য প্ৰৱেশ তোৰণ উদ্বোধন কৰে। ইয়াৰ পাছতে যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাইয়ে যুৱ-ছাত্ৰ পৰিষদৰ পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাতুল বৰগোহাঁইয়ে। ইয়াৰ পাছত পৰিষদৰ কেইবাগৰাকী উপদেষ্টাই সতীৰ্থ স্মৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। দিনৰ ১১.৩০ বজাত বীৰ ৰাঘৱ মৰাণৰ প্ৰতিকৃতিৰ সন্মুখত তিনিচুকীয়া জিলাখনৰ বহুকেইখন শিক্ষানুষ্ঠানৰ অধ্যক্ষ, প্ৰধান শিক্ষক, বিশিষ্ট সমাজকৰ্মী, দল-সংগঠনৰ নেতৃবৃন্দ আদিয়ে সৰ্বমুঠ ২৮৯ গছি বন্তি প্ৰজ্বলন কৰে। দুপৰীয়া ১.৩০ বজাৰ পৰা পলাশ চাংমাইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোদ বৰুৱাই। সভাত নিৰোদ বৰুৱাৰ লগতে মৰাণ সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি তৰুণ বৰুৱা মৰাণেও বক্তব্য ৰাখে। আজিৰ এই অনুষ্ঠানত মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি অৰুণজ্যোতি মৰাণ, টুটুকান্ত মৰাণ, বিৰিঞ্চি নেওগ, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমলেশ্বৰ কলিতা, সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকন, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি মিলন বুঢ়াগোহাঁই, মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়া, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা শিক্ষাবিদ প্ৰকাশ দত্ত, অৱসৰপ্ৰাপ্ত অধ্যক্ষ সোমেশ্বৰ মৰাণ, বিশিষ্ট ক্ৰীড়া-সংগঠক ললিত গগৈৰ লগতে বহু কেইগৰাকী আমন্ত্ৰিত বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সদানন্দ দাসৰ সম্পাদনাত প্ৰকাশ পোৱা "অভেদ্য কৌশলৰ মহানায়ক" শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰে বিশিষ্ট নাট্যকাৰ, অভিনেতা, সাহিত্যকৰ্মী জয়সূৰ্য বৰাই। কাইলৈ ২০ নৱেম্বৰত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়া ৬ বজাত বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানত স্থানীয় জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতৃবৃন্দ আৰু স্থানীয় বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। বঁটা বিতৰণীৰ পিছত হ'বলগীয়া বিশেষ সাংস্কৃতিক অনুষ্ঠানটিৰ উদ্বোধন কৰিব ৮১নং শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলীন চেতিয়াই।

■ ৬নং পৃষ্ঠাৰ পৰা...

# বিহগী কবি ৰঘুনাথ চৌধাৰীক স্মৰণ

এই বঁটা প্ৰদান কৰে। ৰাজীৱ কুমাৰ দাসে ভাষণ প্ৰদান কৰি বিৰিণা গোষ্ঠী-অসমৰ কৰ্মপন্থাক প্ৰশংসা কৰে। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি সাংবাদিক পেন্সনাৰ তথা বিশিষ্ট সাহিত্যিক মৃণাল মল্ল পাটোৱাৰীয়ে বিহগী কবি ৰঘুনাথ চৌধাৰীৰ চাৰিটা কবিতা সম্পৰ্কত ব্যাখ্যা আগবঢ়ায়। সভাত ভাৰতী অধ্যয়ন চক্ৰৰ সভাপতি খগেন্দ্ৰ নাথ ভূঞা, সৰ্থেবাৰী লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী পাৰ্বতী পাটোৱাৰী আদিয়ে ভাষণ প্ৰদান কৰি বিহগী কবি ৰঘুনাথ চৌধাৰীৰ সাহিত্য আৰু সৃষ্টিৰাজিৰ বিষয়ে আলোকপাত কৰে। সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ উপদেষ্টা কামৰুজ জামান উপস্থিত থাকি ৰঘুনাথ চৌধাৰীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ছাহজাহান আলী, কুশল চৌধুৰী , জিয়াউৰ ৰহমান, ৰূপাঞ্জলি চৌধুৰী, সুৰজিৎ পাঠক, নিজৰা বৰ্মন ডেকা, কুলদীপ পাঠক, প্ৰীতিমণি ভূঞা, নেকিবুৰ ৰহমান, নৱজিৎ নাথকে ধৰি কেইবাগৰাকীও কবিয়ে কবিতা পাঠ কৰাৰ লগতে বৰষা ৰয়, শ্যামলিমা বণিক্য, শিখামণি বৰ্মনে গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। ইয়াৰ উপৰিও বিশিষ্ট অধিবক্তা আনোৱাৰ হুছেইন, সমাজসেৱক চহিদ আলী, আনোৱাৰ হুছেইন, যুৱ লেখক কল্প তালুকদাৰ, গোষ্ঠীটোৰ সহকাৰী সম্পাদক জয়ন্ত ডেকা, কোষাধ্যক্ষ বনজিৎ বৈশ্য , সদস্য জেহেৰুল ইছলাম, দেৱজিৎ নাথ, চানবৰ আলী, চাহনুৰ আলী, বচিৰুদ্দিন আহমেদ, মকিবুল ইছলাম, ধৰণী নাথকে ধৰি কেইবাগৰাকীও সদস্যই ৰঘুনাথ চৌধাৰীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম সংগীত পৰিবেশন কৰাৰ পাছতেই অনুষ্ঠানৰ সামৰণি পৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ ৬নং পৃষ্ঠাৰ পৰা...

# ব্যৱসায়ীক ধন দাবী কৰি আৰক্ষীৰ জালত

অ' এন জি চিৰ বিষয়া অপহৰণ ষড়যন্ত্ৰ, অ' এন জি চিৰ বিষয়াসহ ৭ আলফাৰ লিংক মেন আৰক্ষীৰ জালত আৰু ১০ নৱেম্বৰত চহৰৰ মাজমজিয়াত শক্তিশালী আই ই ডি উদ্ধাৰৰ পিছতেই শিৱসাগৰ জিলা আৰক্ষী প্ৰশাসনে সমগ্ৰ জিলাখনতেই কঠোৰ নিৰাপত্তাৰ বেহু গঢ়ি তুলিছে। প্ৰতিবাদ দিৱসৰ প্ৰাকঃমুহূৰ্তত আলফা স্বাধীনৰ একালৰ জন্মভূমি শিৱসাগৰত শক্তি প্ৰদৰ্শনৰ বাবে সংগঠনটোৱে ব্যাপক তৎপৰতা চলোৱা বুলি চোৰাংচোৱা সূত্ৰে জানিব পাৰি সমগ্ৰ জিলাখনতেই অভেদ্য নিৰাপত্তাৰ বেহু গঢ়ি তুলিছে আৰক্ষীয়ে। এনে সময়তে আজি শিৱসাগৰ জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিৰ নেতৃত্বত আৰক্ষীৰ এটা দলে বেতবাৰী আলিমূৰৰ পৰা দুজন লোকক আটক কৰি মাৰাথান জেৰা অব্যাহত ৰাখিছে। বেতবাৰী চাংমাই গাঁৱৰ উমা চাংমাই ওৰফে মুকুতা আৰু ডিমৌ ৰাইচাৰ প্ৰদীপ বৰা নামৰ এজনক আটক কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আলফা স্বাধীনৰ নাম লৈ ব্যৱসায়ীৰ পৰা ধন দাবী কৰাৰ অভিযোগতে আৰক্ষীৰ জালত পৰে উমা চাংমাই আৰু প্ৰদীপ বৰা। উল্লেখ্য যে, এটা দুষ্ট চক্ৰই আলফা স্বাধীনৰ নাম লৈ ব্যাপক হাৰত বিভিন্ন প্ৰক্ৰিয়াৰে ধন দাবী কৰাৰ ভয়ংকৰ অভিযোগ উত্থাপন হৈ আহিছিল। যাৰ পৰিপ্ৰেক্ষিতত শিৱসাগৰ আৰক্ষীয়ে প্ৰদীপ বৰা আৰু মুকুতা চাংমাই নামৰ দুজন ব্যক্তিক হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, জিলাখনৰ সৰ্বত্ৰে আলফা স্বাধীনৰ আতংকই খেদি ফুৰাৰ সময়তেই নগৰৰ এগৰাকী প্ৰথম শ্ৰেণীৰ অনা-অসমীয়া ঠিকাদাৰক আলফা স্বাধীনৰ নাম লৈ ফোনযোগে বিশ লাখ টকাৰ ধন দাবী কৰে। আজি দুপৰীয়া বেতবাৰী আলিমূৰস্থিত জ্ঞানোদয় হাইস্কুলৰ সন্মুখত প্ৰথম কিস্তিৰ ধন আদায় দিবলৈ চূড়ান্ত সময় সীমা বান্ধি দিয়ে। কিন্তু ব্যৱসায়ীগৰাকীয়ে এয়া কোনো দুষ্ট চক্ৰৰ পৰিকল্পনা বুলি সন্দেহ কৰি গোপনে আৰক্ষীৰ কাষ চাপে। এই খবৰৰ ভিত্তিতেই অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিৰ নেতৃত্বত ১২ জনীয়া আৰক্ষীৰ এটা দলে অসামৰিক বেশত সেই স্থানত খাপ পিটি ৰয়। আনহাতে দুজন আৰক্ষী বিষয়াই চদ্মবেশত ব্যৱসায়ীগৰাকীৰ বাহনত উঠি সেই স্থানত অপেক্ষা কৰাৰ সময়তেই উমা চাংমাই নামৰ ভুৱা আলফা বুলি চিনাকি দিয়া ব্যক্তিজনে গাড়ীখনত বহি থকা ব্যৱসায়ীগৰাকীৰ পৰা প্ৰথম কিস্তিৰ ধন ল'বলৈ আহে আৰু সেই সময়তে ছদ্মবেশী আৰক্ষীয়ে হাতে-লোটে আটক কৰিবলৈ সক্ষম হয় লোকজনক। আনহাতে ঘটনাস্থলীৰ পৰা প্ৰায় তিনিশ মিটাৰ নিলগত এখন ই-ৰিস্কাত বহি থকা আনজন সহযোগী প্ৰদীপ বৰাকো কৌশলেৰে কৰায়ত্ব কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে মুকুতা চাংমাই ওৰফে উমা চাংমাইৰ ঘৰ বেতবাৰী চাংমাই গাঁৱত আৰু প্ৰদীপ বৰাৰ ঘৰ ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত ৰাইচাইৰ ভেকেলাই গাঁৱত। ইতিমধ্যে ধৃত দুই ভুৱা আলফাক শিৱসাগৰ সদৰ আৰক্ষী থানাত মাৰাথান জেৰা অব্যাহত ৰাখিছে শীৰ্ষ আৰক্ষী বিষয়াই। অন্যহাতেদি প্ৰতিবাদ দিৱসৰ প্ৰাকঃমুহূৰ্তত শিলনগৰী বিহুৱতো ব্যাপক হাৰত আলফা স্বাধীনৰ নামত ধন দাবী কৰাৰ তথ্য ভিত্তিক বাতৰি সংবাদ মাধ্যমত সবিস্তাৰে প্ৰকাশ পাই আহিছে। যাৰ পৰিপ্ৰেক্ষিতত চহৰৰ মাজমজিয়াত শক্তিশালী আই ই ডি উদ্ধাৰ, জয়সাগৰত সন্দেহজনক মোনা উদ্ধাৰ, অপহৰণ ষড়যন্ত্ৰৰ লগতে ইটোৰ পিছত সিটো গোপন খবৰ চোৰাংচোৱাই লাভ কৰাৰ বাবে শিৱসাগৰ আৰক্ষীয়ে কোনো ৰিস্ক ল'ব বিচৰা নাই। সুৰক্ষাজনিত কাৰণতেই অসম-নগালেণ্ডৰ সীমান্তৱৰ্তী সংযোগী পথত অসম কামাণ্ডোৰ সহায়ত তীব্ৰ তালাচী অভিযান চলোৱাৰ লগতে চহৰৰ গাতে লাগি থকা স্পৰ্শকাতৰ অঞ্চলসমূহতো চোকা পহৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আজি বিয়লিৰ পৰা এই বাতৰি যুগুত কৰালৈকে সমগ্ৰ শিৱসাগৰৰ চহৰৰ প্ৰায়বোৰ অঞ্চলত বাইক স্কোৱাডৰ দল নিয়োগ কৰাৰ লগতে আকস্মিক তালাচীৰ ব্যৱস্থাও গ্ৰহণ কৰিছে আৰক্ষী-প্ৰশাসনে।

■ ৬নং পৃষ্ঠাৰ পৰা...

# দিল্লীত কৃত্ৰিম বৰষুণ বিচাৰিছে আপ

দিল্লীবাসীক। দিল্লীৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পিছতো প্ৰদূষণৰ মাত্ৰ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱা নাই চৰকাৰে। এনে পৰিস্থিতিত কেৱল কৃত্ৰিম বৰষুণেই এতিয়া চহৰখনক প্ৰদূষণৰ পৰা সামান্য সকাহ দিব পাৰিব বুলি দাবী কৰে পৰিৱেশ মন্ত্ৰী গোপাল ৰায়ে। তেওঁ এই বিষয়ত এখন পত্ৰ লিখি প্ৰধানমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰে। তেওঁ লগতে কয় যে, ইয়াৰ পূৰ্বে কৃত্ৰিম বৰষুণৰ অনুমতি বিচাৰি তেওঁ কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰীলৈও পত্ৰ লিখিছিল যদিও কোনো সঁহাৰি লাভ কৰা নাছিল। মন কৰিবলগীয়া যে, বৰ্তমান পৰিস্থিতিত দিল্লীৰ বায়ুৰ গুণাগুণ সূচকাংক 'অতি আতংকজনক' স্তৰত উপনীত হৈছে। দিল্লীৰ এই ভয়ংকৰ প্ৰদূষণক লৈ কেন্দ্ৰীয় আৰু দিল্লী চৰকাৰৰ মাজত অভিযোগ-প্ৰত্যাভিযোগ অব্যাহত আছে। মঙলবাৰে সংবাদমেল সম্বোধন কৰি গোপালে কয় যে, উত্তৰ ভাৰতৰ আকাশখন ধোঁৱাৰ একাধিক স্তৰে আৱৰি ধৰিছে। কৃত্ৰিম বৰষুণেই এই ধোঁৱাৰ পৰা মুক্তিৰ একমাত্ৰ উপায়। দিল্লীত এতিয়া সৃষ্টি হৈছে চিকিৎসা জৰুৰীকালীন অৱস্থা। ৰায়ে কয় "প্ৰধানমন্ত্ৰী মোদীয়ে হস্তক্ষেপ কৰা উচিত। প্ৰদূষণৰ বিৰুদ্ধে ব্যৱস্থা লোৱাটো তেওঁৰ নৈতিক দায়িত্ব। সৰ্বোপৰি কেন্দ্ৰই প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত।" তেওঁ দাবী কৰে যে কেন্দ্ৰই এতিয়া দিল্লীক প্ৰদূষণমুক্ত কৰিবলৈ কৃত্ৰিম বৰষুণৰ অনুমতি দিব লাগে। সেই অনুমতি আৰু প্ৰদূষণ নিয়ন্ত্ৰণৰ উদ্দেশ্যে বৈঠক বিচাৰি কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱলৈ কেইবাবাৰো পত্ৰ লিখিছিল বুলি দাবী কৰে মন্ত্ৰীগৰাকীয়ে। কিন্তু অভিযোগ উত্থাপন হৈছে যে কেন্দ্ৰই কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। গোপালে কয় যে তেওঁ প্ৰথমে ৩০ আগষ্টত ভূপেন্দ্ৰ যাদৱলৈ পত্ৰ লিখিছিল। ইয়াৰ পিছত তেওঁ কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰীলৈ ১০ আৰু ২৩ অক্টোবৰতো চিঠি লিখিছিল। কিন্তু কেন্দ্ৰৰ পৰা কোনো সঁহাৰি নাপালে। এইবাৰ তেওঁ প্ৰধানমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছে। দিল্লীত প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে কি পদক্ষেপ লোৱা হৈছে সেয়াও উল্লেখ কৰে গোপাল ৰায়ে। তেওঁ কয় যে, প্ৰদূষণৰ সৈতে মোকাবিলা কৰিবলৈ দিল্লীত চতুৰ্থ স্তৰৰ কাৰ্য্য (গ্ৰেডেড ৰেচপন্স একচন প্লেন বা GRAP-IV) প্ৰৱৰ্তন কৰা হৈছে। ইয়াৰ পিছতো প্ৰদূষণৰ মাত্ৰা নিয়ন্ত্ৰণলৈ অহা নাই। গতিকে এতিয়া দিল্লীত ধোঁৱা কমোৱাৰ বাবে বিশেষজ্ঞৰ পৰামৰ্শ লোৱা হৈছে। সেই পৰামৰ্শ অনুসৰণ কৰি প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে কৃত্ৰিম বৰষুণৰ কথা চিন্তা কৰা হৈছে। যোৱা বছৰ আই আই টি কানপুৰে ডাৱৰ বীজ সিঁচি কৃত্ৰিম বৰষুণৰ পৰীক্ষা-নিৰীক্ষা কৰিছিল। প্ৰয়োজন হ'লে দিল্লীতো কৰিব পৰা যাব বুলি দাবী কৰে দিল্লীৰ পৰিৱেশ মন্ত্ৰীগৰাকীয়ে। প্ৰসংগক্ৰমে মঙলবাৰে পুৱা দিল্লীৰ বায়ুৰ গুণাগুণ সূচকাংক (একিউআই) এই বছৰৰ সৰ্বোচ্চ ৪৯৪ত উপনীত হয়। সাধাৰণতে ৪৫০ৰ ওপৰৰ বায়ুৰ গুণাগুণ সূচকাংকক 'চৰম' বুলি গণ্য কৰা হয়। আনন্দ বিহাৰ, অশোক বিহাৰ, ধ্যান চান্দ ষ্টেডিয়াম, জাহাংগীৰপুৰীকে ধৰি অধিকাংশ নিৰীক্ষণ কেন্দ্ৰত বায়ুৰ গুণাগুণ সূচকাংকই ৫০০ অতিক্ৰম কৰে। ৰাজধানী আৰু কাষৰীয়া অঞ্চলত মুঠ ৩৫টা বায়ুৰ গুণাগুণ নিৰীক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰ ভিতৰত দ্বাৰকাৰ বায়ুৰ গুণাগুণ সূচকাংক (৪৮০) সৰ্বনিম্ন ধৰা পৰে। কিন্তু সেইটোও 'অতি ভয়ংকৰ' স্তৰৰ ওপৰত। এনে পৰিস্থিতিত দিল্লীৰ পৰিৱেশ মন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। এতিয়া দিল্লী চৰকাৰৰ এই দাবী কেন্দ্ৰই মানি লয় নে নলয় সেয়া সময়তহে ক'ব পৰা যাব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাৰি মাহত আমোলাৰ শাসন

বিশ্ব শৰ্মা। হিন্দুত্ববাদৰ পোষ্টাৰ বয় হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত বিজেপিৰ সেনাপতি হৈ দায়িত্ব পালন কৰি দীৰ্ঘদিন ধৰি ঝাৰখণ্ডতে থাকি অৱশেষত আজি অসমলৈ উভতি আহিছে। প্ৰায় ৪ মাহ সময় মুখ্যমন্ত্ৰীয়ে কেতিয়াবা অসম, কেতিয়াবা ঝাৰখণ্ডত সময় অতিবাহিত কৰিছে। ঝাৰখণ্ডত নিৰ্বাচনকেন্দ্ৰিক যোগদান, মিত্ৰতা, প্ৰাৰ্থী বাচনি, প্ৰচাৰৰ এজেণ্ডালৈকে সকলো কাম হিমন্ত বিশ্ব শৰ্মাই কৰা দেখা গৈছিল। হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পিছৰে পৰা প্ৰায় ছেপ্টেম্বৰ মাহৰ পৰাই ব্যস্ত হৈ পৰিছিল। এদিন অসম, দুদিন ঝাৰখণ্ডত অতিবাহিত কৰা হিমন্ত বিশ্ব শৰ্মাই নিতৌ দলীয় সভা, দলীয় বৈঠক কৰি গৈছিল। বিৰোধীৰ বহু নেতাক নিজৰ দললৈ আনিবলৈ সক্ষম হৈছিল। ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চম্পাই চোৰেণক বিজেপিত যোগদান কৰাইছিল। লগতে দিল্লীৰ পৰা ৰাজ্যখনলৈ প্ৰচাৰৰ বাবে অহা শীৰ্ষ নেতাক সংগ দিছিল। দীৰ্ঘসময় ঝাৰখণ্ডৰ নিৰ্বাচনত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰা হিমন্ত বিশ্ব শৰ্মাই দলে দিয়া দায়িত্ব গুৰুত্বসহকাৰে পালন কৰা দেখা যায়। সেয়েহে হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমত পোষ্ট দি ঝাৰখণ্ডক দ্বিতীয় ঘৰ বুলি অভিহিত কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় "যোৱা চাৰিটা মাহত দলৰ ন্যস্ত দায়িত্বৰ হেতু কিছু সমৃদ্ধ সময় ঝাৰখণ্ডত কটাও। ৰাজ্যখনে ৰাইজৰ সান্নিধ্যৰ পৰা আৰম্ভ কৰি বহু বন্ধু, মৰম-আশিস প্ৰদানেৰে ধন্য কৰিছে মোক। আজি অসমলৈ উভতি আহোতে ঝাৰখণ্ডৰ সন্মানীয় জনসাধাৰণে, বিশেষকৈ আমাৰ নিষ্ঠাবান বিজেপি কাৰ্যকৰ্তাসকলে এই পৰিক্ৰমাত মোলৈ যচা চেনেহ, আদৰ তথা আশিসক মই ভৱিষ্যতৰ দিনৰ অমূল্য মূলধন হিচাপে লৈ উভতি আহিলো। স্মৃতিৰ ডায়েৰীত ইয়াক সদায়ে সযতনে ৰাখিম। মই আন্তৰিকতাৰে আশা কৰিছো যে ঝাৰখণ্ডে ২০২৪ চনৰ ২৩ নৱেম্বৰৰ পৰা আশা, আকাংক্ষা, প্ৰাপ্তি আৰু উন্নয়নৰ এক নতুন যাত্ৰাত নামিব।" এনেদৰে প্ৰায় ৪ মাহ মুখ্যমন্ত্ৰী ঝাৰখণ্ডতে ব্যস্ত হৈ থকাৰ পৰিপ্ৰেক্ষিতত অসমৰ শাসন-প্ৰশাসনৰ ছাবিকাঠী একপ্ৰকাৰ আমোলা নিৰ্ভৰ হৈ পৰা পৰিলক্ষিত হৈছিল। আমোলাতান্ত্ৰিক চৰকাৰলৈ পৰিণত হোৱা অসমত ৰাইজে জ্বলা-কলা খাইছে। মানুহে খাদ্য সামগ্ৰী ক্ৰয় কৰি খাব নোৱাৰা হৈছে। বহু ৰাস্তা-পদূলিৰ অৱস্থা জাৰজীৰ্ণ। বনৰীয়া হাতীয়ে খেতি পথাৰ তহিলং কৰি গৈছে। গুৱাহাটীত পাইপ ফাটি জনতাৰ হাহাকাৰ লাগিছে। গুৱাহাটীৰ মানুহে কৃত্ৰিম বানৰ স্থায়ী সমাধান বিচাৰি প্ৰতিবাদ কৰিয়েই আছে। ৮০ৰ পৰা ৯০ টকালৈ পিঁয়াজ, ৫০ টকাত আলু, ৪০০ টকাত নহৰু, ৩০০ টকাত আদা, ১৬০ টকাত গাজৰ কিনি খাবলগীয়া হৈছে। চৰকাৰ, প্ৰশাসনৰ কোনো নিয়ন্ত্ৰণ নাই ৰাজ্যৰ বজাৰত। যিয়ে যেনেকৈ পাৰিছে তেনেকৈ খাদ্য-সামগ্ৰী বিক্ৰী কৰি গৈছে। ঝাৰখণ্ডৰ উপ-প্ৰভাৰীৰ দায়িত্ব লাভৰ পাছৰে পৰা ঝাৰখণ্ডত ব্যস্ত আছে মুখ্যমন্ত্ৰীগৰাকী। মাহটোৰ বেছি সময় মুখ্যমন্ত্ৰীগৰাকী ৰাজ্যৰ বাহিৰত থকাৰ সময়ত প্ৰশাসন চলাইছে আমোলাই। আমোলাই চলাই থকা ৰাজ্যখনত মূল্যবৃদ্ধিৰ ফলত ৰাইজে হাহাকাৰ কৰি সময় পাৰ কৰিবলগীয়া হৈছে। মানুহৰ খাদ্য ক্ৰয়ৰ ক্ষমতা নোহোৱা হৈছে। চৰকাৰৰ নিয়ন্ত্ৰণৰ পৰা বাহিৰ হৈ পৰিছে বজাৰ। খুচুৰা মুদ্ৰাস্ফীতি ৬.২১ শতাংশ বৃদ্ধি পাইছে। ইপিনে ৰাজ্যৰ থলুৱা ঠিকাদাৰক বিল দিব পৰা নাই। কোনো চৰকাৰী ফাইল চাৰিমাহ ধৰি পৰি আছে। প্ৰায় ২২ হাজাৰ কোটি টকা ঠিকাদাৰক আদায় দিবলৈ বাকী আছে ৰাজ্য চৰকাৰে। ঠিকাদাৰসকলক বিল আদায় দিয়া নাই। চহৰ উন্নয়ন বিভাগ, লোকনিৰ্মাণ বিভাগ, আৰক্ষীৰ গৃহ নিৰ্মাণ বিভাগৰ হাজাৰ হাজাৰ কোটি টকা ঠিকাদাৰে বিল আদায় নোপোৱাকৈ থকা ৰাজ্যখনৰ মুখ্যমন্ত্ৰীজনে অন্য এখন ৰাজ্যত চাৰিটামাহ ব্যস্ত থাকিল। এটা সূত্ৰই কৰা দাবী মতে, জনতাভৱনত কাম-কাজ স্তব্ধ হৈ পৰিছে। টেবুলে টেবুলে ফাইল পৰি ৰৈছে। প্ৰশাসনৰ মুৰব্বীগৰাকী নথকাৰ ফলত ৰাজ্যৰ কাম-কাজ স্তব্ধ হৈ পৰিছে। ঋণ লৈ চৰকাৰ চলাই থকা হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰত এতিয়া আমোলাই ওভটগোৰে নাচিবলৈ আৰম্ভ কৰিছে। ক'ৰবাত আৰক্ষী বিষয়াই জমেটৰ ডেলিভাৰী বয়ক প্ৰহাৰ কৰিছে, ক'ৰবাত দুমহীয়া কেঁচুৰাক প্ৰহাৰ কৰিছে। নিশা আকৌ এচিএছ বিষয়াই মদ্যপান কৰি তাণ্ডৱ চলাইছে। ৰাজ্যত বিশৃংখল পৰিস্থিতিৰ পিছতো ঝাৰখণ্ডত দলৰ শীৰ্ষ নেতৃত্বই দিয়া দায়িত্ব সফলতাৰে সম্পন্ন কৰি অৱশেষত আজি ৰাজ্যখনলৈ উভতি আহে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা।

# লাডাখৰ পিছত এইবাৰ চীনেৰে অৰুণাচল সীমান্তক লৈয়ো বুজাবুজি!

**নতুন দিল্লী, ১৯ নৱেম্বৰঃ** পূব লাডাখৰ সীমান্ত বিষয়ক লৈ ভাৰত আৰু চীনৰ মাজত বুজাবুজি চুক্তি সম্পন্ন হোৱাৰ পিছতে এইবাৰ ছিকিম আৰু অৰুণাচল প্ৰদেশৰ সীমান্তত নজৰ দিছে ভাৰতে। চীনৰ সৈতে সম্ভাব্য যুদ্ধ পৰিস্থিতিৰ প্ৰতি প্ৰস্তুতি চলাই অৰুণাচলৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ সমীপত 'পূৰ্বী প্ৰহৰ' পোছাকী নামেৰে যৌথ যুদ্ধ অনুশীলন চলাইছে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ তিনি শাখা ক্ৰমে স্থলসেনা, বায়ুসেনা আৰু নৌসেনাই। মঙলবাৰে এই আঠদিনীয়া যুদ্ধ অনুশীলনৰ আনুষ্ঠানিকভাৱে সফল সমাপ্তি ঘোষণা কৰে সেনাই। প্ৰতিৰক্ষা মন্ত্ৰালয়ে সদৰী কৰা মতে, সম্ভাব্য যুদ্ধ পৰিস্থিতিত তিনিওটা বাহিনীৰ মাজত সমন্বয় বৃদ্ধি কৰাৰ লক্ষ্যৰে এই প্ৰস্তুতিৰ লক্ষ্য লোৱা হৈছে। পূব লাডাখৰ সীমান্ত বিষয়ত চীনৰ সৈতে হোৱা আলোচনাৰ ইতিবাচক ফলাফলৰ পাছত নতুন দিল্লীয়ে এইবাৰ ছিকিম আৰু অৰুণাচলৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত 'দৃষ্টি' নিবদ্ধ কৰিব বিচাৰিছে বুলি মত প্ৰকাশ কৰিছে একাংশ প্ৰতিৰক্ষা বিশেষজ্ঞই। লক্ষণীয় যে, ভাৰতীয় সশস্ত্ৰ বাহিনীৰ এই যুদ্ধ অনুশীলনৰ নাম দিয়া হৈছে 'পূৰ্বী প্ৰহৰ'। সেনাৰ সূত্ৰ অনুসৰি চীন সীমান্তত এই অনুশীলনত থলুৱা প্ৰযুক্তিৰে নিৰ্মিত বায়ুসেনাৰ বিভিন্ন যুদ্ধ বিমান আৰু চোৰাংচোৱা বিমান, 'এডভান্সড লাইট হেলিকপ্টাৰ' ৰুদ্ৰৰ ব্যৱহাৰ কৰা হয়। তদুপৰি এই যুদ্ধ অনুশীলনৰ সময়ত আমেৰিকাৰ পৰা অনা ১৫৫ মিলিমিটাৰৰ এম-৭৭৭ আল্ট্ৰালাইট হাউইটজাৰৰ উপৰিও, সেনাৰ তিনিটা শাখাৰ সৈনিক আৰু বিষয়াসকলক শ্বাৰ্ম ড্ৰোন, ফাৰ্ষ্ট পাৰ্চন ভিউ (এফপিভি) ড্ৰোন, আৰু লইটাৰিং মিউনিচন (আত্মঘাতী ড্ৰোন)ৰ দৰে বিভিন্ন প্ৰযুক্তিৰ সৈতে পৰিচয় কৰোৱা হয়। সেনাৰ সূত্ৰ অনুসৰি, অনুশীলনৰ সময়ত ভাৰতীয় সেনাৰ তিনিওটা শাখাই প্ৰকৃত যুদ্ধ পৰিস্থিতিৰ সৈতে কেনেদৰে দক্ষতাৰে মোকাবিলা কৰিব লাগে সেই বিষয়ে যৌথভাৱে শিক্ষা লাভ কৰে। এই অনুশীলনে নতুন ইংগিতো বহন কৰিছে বুলিব পাৰি।

# অসম বৃক্ষৰোপণ-শস্য উন্নয়ন নিগমৰ অধ্যক্ষ নিযুক্ত মণিমাধৱ মহন্ত

**ই-সংবাদ, ১৯ নৱেম্বৰঃ** আজি হিমন্ত বিশ্ব শৰ্মা চৰকাৰে অসম বৃক্ষৰোপণ আৰু শস্য উন্নয়ন নিগমৰ অধ্যক্ষ নিযুক্তি দিছে। অগপৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তৰ ভাতৃ মণিমাধৱ মহন্তক অসম বৃক্ষৰোপণ আৰু শস্য উন্নয়ন নিগমৰ অধ্যক্ষ নিযুক্তি দিছে ৰাজ্য চৰকাৰে। নলবাৰীৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ ঠাইত স্থলাভিষিক্ত হ'ব মণিমাধৱ মহন্ত। বিজেপি এৰি কংগ্ৰেছত যোগদান কৰা অশোক শৰ্মা আছিল অসম বৃক্ষৰোপণ আৰু শস্য উন্নয়ন নিগমৰ অধ্যক্ষ। কিন্তু অশোক শৰ্মাক বৰ্ডৰ পৰা আতৰাই অগপ নেতাক মণিমাধৱক অধ্যক্ষৰ দায়িত্ব প্ৰদান কৰা হয়। ঝাৰখণ্ডৰ পৰা ঘূৰি আহিয়েই এতিয়া এনেকৈ তৎপৰ হৈ পৰা দেখা গৈছে হিমন্ত বিশ্ব শৰ্মাক।

# চানমাৰি আৰক্ষীৰ জালত চিলনীচোৰ

**ই-সংবাদ, ১৯ নৱেম্বৰঃ** গুৱাহাটীত ইটোৰ পিছত সিটো লুটমাৰৰ ঘটনা সংঘটিত হৈ থকাৰ সময়তে আজি গুৱাহাটী আৰক্ষীয়ে সফলতা লাভ কৰিছে। গুৱাহাটী আৰক্ষীয়ে অস্ত্ৰসহ এজন চিলনী চোৰক ধৰিবলৈ সক্ষম হৈছে। মহানগৰীৰ ৰাজগড় আৰু চানমাৰিত অভিযান চলাই চিলনী চোৰ ভাস্কৰ কলিতাৰ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে মহানগৰ আৰক্ষী। চানমাৰি আৰক্ষীয়ে ভাস্কৰ কলিতাক গ্ৰেপ্তাৰ কৰি জেৰা কৰি থকা বুলি জানিব পৰা গৈছে। আনহাতে ভাস্কৰৰ এজন সহযোগীয়ে পালয়ন কৰিছে। আজি ৰাজগড়ৰ ১২নং উপ-পথৰ পৰা দুই দুৰ্বৃত্তই ববিতা দাস নামৰ মহিলাক অস্ত্ৰ দেখুৱাই চেইন কাঢ়ি নিছিল। উপ-পথৰ পৰা ববিতা দাসৰ ডিঙিৰ চেইন কাঢ়ি নিয়াৰ পাছতে চানমাৰি আৰক্ষী সক্ৰিয় হয়। বিভিন্ন দিশ পৰীক্ষা কৰি চানমাৰি আৰক্ষীয়ে ভাস্কৰ কলিতাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, নগাঁৱৰ কামপুৰৰ ভাস্কৰে ৰাজগড় অঞ্চলত ভাড়া ঘৰত থাকি আতংকৰ সৃষ্টি কৰিছিল।

# যুটীয়া কৰ আয়ুক্ত জ্বলি গগৈৰ দেহাৱসান



**ই-সংবাদ, ১৯ নৱেম্বৰঃ** গুৱাহাটীৰ খ্ৰীষ্টানবস্তিৰ ৰাজ্যিক কৰ ভৱনৰ যুটীয়া কৰ আয়ুক্ত জলী গগৈয়ে আজি অকালতে মৃত্যুক আকোৱালি লয়। তিনিদিন ধৰি মুমূৰ্ষ অৱস্থাত চিকিৎসাধীন হৈ থকাৰ অন্তত ৫৫ বছৰীয়া জলী গগৈয়ে মৃত্যুক আকোৱালি লয়। জানিব পৰা মতে, তিনিদিন পূৰ্বে ব্ৰেইন ষ্ট্ৰকত আক্ৰান্ত হৈছিল জলী গগৈ। পৰিয়ালে নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰাইছিল যদিও আজি দুপৰীয়া মৃত্যুক আকোৱালি লয় ৰাজপত্ৰিত বিষয়াগৰাকীয়ে। আজি নেমকেয়াৰ হাস্পতালৰ পৰা তেওঁৰ শৰীৰ কৰ ভৱনলৈ অনা হয়। কৰ ভৱনৰ বিষয়া-কৰ্মচাৰীসকলে অশ্ৰু সিক্ত নয়নেৰে জলী গগৈক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জলী গগৈ অসম অলিম্পিক সন্থাৰ প্ৰাক্তন অধ্যক্ষ মুকুট মেধিৰ পত্নী আছিল।



শ্ৰীলংকাৰ বিৰুদ্ধে নিউজিলেণ্ডৰ ইয়ঙৰ শ্বট, মঙলবাৰে

## অপেনিঙত কে এল ৰাহুল, বলিঙত বুমৰাহেই ভৰসা

# পাৰ্থত কেংগাৰু বাহিনীক হৰুৱাবলৈ টীম ইণ্ডিয়াৰ প্ৰস্তুতি

**ছিডনী, ১৯ নৱেম্বৰঃ** বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীত অহা ২২ নৱেম্বৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে প্ৰথমখন টেষ্টত অৱতীৰ্ণ হ'ব ভাৰতীয় দলটো। বিশ্বৰ আটাইতকৈ কঠিন পিটছ হিচাপে পৰিচিত পাৰ্থত অনুষ্ঠিত হ'বলগীয়া এই টেষ্টখনক লৈ ইতিমধ্যে অন্তিম প্ৰস্তুতি চলাইছে টীম ইণ্ডিয়াই। ভাৰতীয় বাহিনীয়ে এতিয়াও মূল একাদশ ঘোষণা কৰা নাই যদিও প্ৰথমখন টেষ্টত কেইবাখনো নতুন মুখে বিশ্বৰ কঠিন পিটচত নিজকে প্ৰমাণ কৰাৰ সুযোগ লাভ কৰিব বুলি অনুমান কৰা হৈছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অনুষ্ঠিত হ'বলগীয়া টেষ্টত ভাৰতে যদি পূৰ্ণশক্তিৰ দল হিচাপে অৱতীৰ্ণ হয়, তেন্তে মূল একাদশত সুযোগ লাভ কৰিব পাৰে ৰোহিত শৰ্মা আৰু শুভমন গীলে। অৱশ্যে তেওঁলোকৰ অনুপস্থিতিত নতুন খেলুৱৈৰো সন্ধান চলাইছে বিচিচিআইয়ে। ৰোহিত-শুভমনৰ শূন্যতা পূৰণ কৰি ভাৰতীয় টেষ্ট টিমৰ মূল একাদশত স্থান লাভ কৰাৰ সম্ভাৱনা আছে উইকেটকীপাৰ, অপেনাৰ কে এল ৰাহুল আৰু দেৱদত্ত পাদ্দিকলে। বৰ্তমান সময়ত নেটত পূৰ্ণদ্যমে নিজকে ব্যস্ত ৰাখিছে কে এল ৰাহুলে। আনহাতে বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ প্ৰথমখন টেষ্টত ইতিমধ্যে স্থান প্ৰায় নিশ্চিত হৈছে যশস্বী জয়ছোৱালৰ। ইয়াৰ পিছতে বেটিং লাইনৰ চতুৰ্থ আৰু পঞ্চম স্থানত স্থান লাভ কৰিব পাৰে বিৰাট কোহলী আৰু ঋষভ পন্তে। ষষ্ঠ স্থানৰ বাবে বৰ্তমান দৌৰত আছে উইকেটকীপাৰ বেটাৰ ধ্ৰুৱ জুৰেল আৰু ছৰফৰাজ খান। কিন্তু ক্ৰিকেট বিশেষজ্ঞসকলৰ মতে, প্ৰথমখন টেষ্টতে মূল একাদশত ছৰফৰাজে স্থান লাভ কৰাৰ সম্ভাৱনা তেনেই কম। ইফালে বেটিং লাইনৰ সমান্তৰালভাৱে বলিং লাইনৰ ওপৰতো দিয়া হৈছে সমানেই গুৰুত্ব। নীতিশ কুমাৰ ৰেড্ডীক মূল একাদশৰ বাবে সাজু কৰি তোলাৰ বাবে প্ৰশিক্ষণ দিছে ভাৰতীয় দলৰ বলিং প্ৰশিক্ষক মৰ্নি মৰকেলে। বিশেষজ্ঞসকলৰ মতে, নীতিশৰ বলিঙত গতিৰ অভাৱ যদিও তেওঁৰ অফ ষ্টাম্প বলিং কৌশলে বিপক্ষৰ বাবে সমস্যাৰ সৃষ্টি কৰিব পাৰে। ট্ৰেভিছ হেড, এলেক্স কেৰীৰ দৰে অষ্ট্ৰেলিয়াৰ কেইবাগৰাকীও দুৰ্দান্ত বেটাৰক বাৰে বাৰে পেভিলিয়নমুখী কৰি অহা স্পিনাৰ ৰবিচন্দ্ৰন আশ্বিনেও মূল একাদশত স্থান প্ৰায় নিশ্চিত কৰিছে। ইফালে পেচ বলিঙৰ বাবে প্ৰায় চূড়ান্ত কৰা হৈছে যশপ্ৰীত বুমৰাহৰ নাম। তেওঁৰ সংগী হিচাপে মূল একাদশত হৰ্ষিত ৰানা, মহম্মদ ছিৰাজ আৰু আকাশদ্বীপ নাম চৰ্চালৈ আহিছে। কিন্তু পাৰ্থৰ পেচ আৰু বাউন্সলৈ চাই মূল একাদশত মহম্মদ ছিৰাজেই স্থান লাভ কৰিব বুলি দাবী কৰিছে বিশেষজ্ঞসকলে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি